Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, MAY 17, 2025 ■ শনিবাৰ, ২ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৩৯ Guwahati, Assam ।। মূল্যঃ এটকা

### দিলীপৰ শক্তি প্ৰদৰ্শন

## পদৰ পৰা অপসাৰিত মন্ত্ৰী জয়ন্তৰ ঘনিষ্ঠ

ই-সংবাদ, বাঁহজানী, ১৬ মে' আকৌ এবাৰ ন-বিজেপি আৰু ন-বিজেপিৰ ঘনিষ্ঠসকলৰ বিৰুদ্ধে শক্তি প্ৰদৰ্শন ৭ পৃষ্ঠাত

# সৰাপাত বুটলি বুটলি বসন্তৰ শেষত গুচি গ'ল গায়ত্ৰী

### চিকিৎসাধীন অৱস্থাত মৃত্যু কণ্ঠশিল্পীগৰাকীৰ

**ৰাজ্যৰ সংগীত মহলত শোকৰ ছাঁ**



ই-সংবাদ, ১৬ মে': জনপ্ৰিয় কণ্ঠশিল্পী গায়ত্ৰী হাজৰিকাই আজি জীৱন নাট সামৰি অচিন দেশলৈ মেলানি মাগিলে। ৩ পৃষ্ঠাত

## মহিলাক অপমান, গ্ৰেপ্তাৰ ইছমাইল

ই-সংবাদ, ১৬ মে': নাৰীক সন্মান কৰিব নজনা বহু বিতৰ্কিত সাহিত্যিক ২ পৃষ্ঠাত

## বিজয় শ্বাহৰ বিৰুদ্ধে এজাহাৰ এপিচিচিৰ

ই-সংবাদ, ১৬ মে': মধ্য প্ৰদেশৰ জনজাতীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কোঁৱৰ ৪ পৃষ্ঠাত

### অসাৰ হ'ল ড'নাল্ড ট্ৰাম্পৰ প্ৰচেষ্টা, তুৰস্কত দুই দেশৰ প্ৰতিনিধিৰ বৈঠক

# যুদ্ধবিৰতিৰ আশাত যতি! মস্কো-কিয়েভলৈ নুঘূৰে শান্তি

■ যুদ্ধ বিৰামৰ বাবে ইউক্ৰেইনৰ ওচৰত 'অগ্ৰহণযোগ্য' চৰ্ত ৰাছিয়াৰ

ইস্তানবুল, ১৬ মে': যতি পৰিছে ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধ যৱনিকাৰ সম্ভাৱনাত! ইয়াৰ পূৰ্বে অধিক উদ্বেগৰহে কাৰণ হৈ পৰিল ইউক্ৰেইন-ৰাছিয়াৰ বৈঠক। ৩ নং পৃষ্ঠাত



ইস্তানবুলত বৈঠকৰ পূৰ্বে সাংবাদিকৰ ভিৰ

### অসম বিধানসভাৰ এদিনীয়া অধিৱেশন



বিতং বাতৰি ৪ পৃষ্ঠাত

## তালিবানেৰে আলাপ ভাৰতৰ

নতুন দিল্লী, ১৬ মে': 'শত্ৰুৰ শত্ৰু, মিত্ৰ বিবেচিত'। ভাৰত-পাকিস্তানৰ মাজৰ ৬ নং পৃষ্ঠাত

## ডাইনী হত্যাৰ বিৰুদ্ধে চৰকাৰৰ অধিসূচনা জাৰি

ই-সংবাদ, ১৬ মে': শুকুৰবাৰে অসম চৰকাৰে এখন ৰাজ্যিক নীতিৰ অধিসূচনা ৪ নং পৃষ্ঠাত

### উপ-মুখ্যমন্ত্ৰীৰ বিতৰ্কিত মন্তব্য

## মোদীৰ চৰণত নতমস্তক দেশ, সেনা!



ভূপাল, ১৬ মে': আকৌ বিতৰ্কৰ সূচনা কৰিলে বিজেপিৰ নেতাই। কৰ্নেল ছোফিয়া কুৰেশীক লৈ মধ্যপ্ৰদেশ চৰকাৰৰ এজন মন্ত্ৰীৰ আপত্তি ৬ পৃষ্ঠাত

## ডিএছপি কন্যাই উদঙালে পিতৃৰ কু-কীৰ্তি, ধ্বংস কৰিলে সুৰাৰ সাম্ৰাজ্য

ই-সংবাদ, ১৬ মে': কন্যা শীৰ্ষ আৰক্ষী বিষয়া, পিতৃ সুৰা ব্যৱসায়ী। সঠিক বাটলৈ উভতি আহিবলৈ বাৰে বাৰে অনুৰোধ কৰাৰ পিছতো ৪ পৃষ্ঠাত চাওক

## চিকিৎসাত গাফিলতি! ২০ লাখ টকা ক্ষতিপূৰণ আদায়ৰ নিৰ্দেশ জিএনআৰচিক



ই-সংবাদ, ১৬ মে': গুৱাহাটীৰ প্ৰতিষ্ঠিত চিকিৎসালয় জিএনআৰচিৰ বিৰুদ্ধে উত্থাপন হৈছে ৰোগীৰ চিকিৎসাত গাফিলতি কৰাৰ ভয়ংকৰ অভিযোগ। এগৰাকী ৪নং পৃষ্ঠাত

### ৰাজ্যিক কেবিনেটৰ বৈঠকত সিদ্ধান্ত, স্থাপন হ'ব আমূল প্লাণ্ট

## আইচিটি শিক্ষকৰ দৰমহা ৬ হাজাৰ টকা বৃদ্ধি কৰিব চৰকাৰে

ই-সংবাদ, ১৬ মে': আজি হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন কেবিনেটৰ বৈঠক অনুষ্ঠিত হয়। লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত শেষাংশ ২ পৃষ্ঠাত

### এছআই জোনমণিৰ মৃত্যুৰ দুটা বছৰ পূৰ্ণ

## আজিও ন্যায়ৰ বাবে অপেক্ষাৰত হতভাগা মাতৃ!



ই-সংবাদ, ১৬ মে': মৃত্যুৰ আগত জনতাৰ হৈ কাম কৰি আৰু মৃত্যুৰ পিছতো জনতাৰ হৃদয়ত স্থান দখল কৰিছিল অসম ৭ পৃষ্ঠাত

### ভূজত প্ৰতিৰক্ষা মন্ত্ৰী

## 'স্বভাৱ সলনি নকৰিলে নিস্তাৰ নাই পাকিস্তানৰ'

ভূজ, ১৬ মে': ১৯৬৫ চনৰ যুদ্ধৰ পিছত পুনৰবাৰ পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ বিজয়ৰ সাক্ষী হ'ল গুজৰাটৰ ভূজ। ৫ নং পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আইচিটি শিক্ষকৰ দৰমহা ৬ হাজাৰ টকা

কেবিনেটত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। মন্ত্ৰী ৰণজিৎ দাসে সংবাদ মাধ্যমক সম্বোধন কৰি কেবিনেট সিদ্ধান্তসমূহ ৰাজহুৱা কৰে। দুগ্ধ কোম্পানী আমূলক এক লাখ লিটাৰ দৈনিক উৎপাদন ক্ষমতাৰে ৰাণীত দুগ্ধ প্ৰক্ৰিয়াকৰণ প্ৰকল্প স্থাপনত অনুমোদন জনায়। অসমত নিয়োগকাৰীক উৎসাহ প্ৰদান যোগে সংস্থাপন সৃষ্টি কৰাৰ উদ্দেশ্যে বিশেষ ব্যৱস্থা গ্ৰহণৰ কথা ঘোষণা কৰিছে। অসমত ব্যক্তিগত খণ্ডৰ বিনিয়োগক উৎসাহিত কৰি নিয়োগ সৃষ্টিৰ সুযোগ সৃষ্টি কৰিবলৈ বিনেটে আইআইপিএৰ অধীনত ২ টাকৈ প্ৰস্তাৱত অনুমোদন জনাইছে। নিয়োগৰ সৃষ্টি কৰিব পৰা ব্যৱস্থা কৰিবলৈ মুঠ ৪৫৭.৯৮ কোটি টকা বিনিয়োগৰ সিদ্ধান্ত লয়। এই সিদ্ধান্তত প্ৰায় ১০০০ লোকে নিয়োগৰ সুবিধা লাভ কৰিব। আজি কেবিনেটে আইচিটিৰ শিক্ষকৰ ভৱিষ্যৎ সুৰক্ষাৰ্থে বিশেষ সিদ্ধান্ত গ্ৰহণ কৰিছে। কেবিনেটত ডঃ বাণীকান্ত কাকতি কম্পিউটাৰ সাক্ষৰতা কাৰ্যসূচীৰ অধীনত কাম কৰা ১,৩১৩ অংশকালীন আইচিটি শিক্ষকৰ মাহিলি মাননি ১৪ হাজাৰ টকাৰ বিপৰীতে ২০ হাজাৰ টকালৈ বৃদ্ধিত অনুমোদন জনায়। অক্টোবৰ মাহৰ পৰা দৰমহা বৃদ্ধি কৰাৰ লগতে শিক্ষকসকলৰ ৬০ বছৰলৈ চাকৰিৰ নিশ্চয়তা প্ৰদান কৰে। যাৰ জৰিয়তে শিক্ষসকলে সকাহ পোৱাৰ লগতে মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনা, আপোন ঘৰ আৰু আপোন বাহন আঁচনি প্ৰাপ্তিৰ বাবেও বিবেচিত হোৱাৰ সুযোগ লাভ কৰিব। আইচিটি কৰ্মচাৰীসকল মুখ্যমন্ত্ৰীৰ লোকসেৱক আৰোগ্য যোজনাৰ লগতে 'আপোন ঘৰ, আপোন বাহন' আঁচনিৰ বাবেও যোগ্য বিবেচিত হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মহিলাক অপমান! গ্ৰেপ্তাৰ ইছমাইল

ইছমাইল হোছেইনক আজি যোৰহাটৰ পৰা গ্ৰেপ্তাৰ কৰিছে দৰং জিলাৰ মঙলদৈ আৰক্ষীয়ে। মঙলদৈৰ এগৰাকী মহিলাৰ এজাহাৰৰ ভিত্তিত ইছমাইল হোছেইনক গ্ৰেপ্তাৰ কৰা হৈছে। যোৰহাট আৰক্ষীৰ সহায়ত মঙলদৈ সদৰ আৰক্ষী থানাৰ এটা দলে যোৰহাটৰ গড়আলিত ইছমাইল হোছেইনক গ্ৰেপ্তাৰ কৰে। উৰ্মিমালা দত্ত নামৰ এগৰাকী শিক্ষয়িত্ৰীয়ে ইছমাইল হোছেইনৰ বিৰুদ্ধে মঙলদৈ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। মহিলাগৰাকীয়ে সামাজিক মাধ্যমত অশালীন মন্তব্য কৰি তেওঁৰ সন্মান হানি কৰাৰ অভিযোগ আনিছিল। গুৱাহাটীৰ বাসিন্দা ইছমাইল হোছেইনে যোৰহাটত আত্মগোপন কৰি থকাৰ সময়তে মোবাইলৰ লোকেচন ট্ৰেক কৰি যোৰহাটৰ পৰা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। মঙলদৈ সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া চন্দনজ্যোতি বৰাৰ নেতৃত্বত আৰক্ষীৰ দল যোৰহাটলৈ গৈছিল। যোৰহাট আৰক্ষীৰ সৈতে গড়আলিৰ পৰা হোছেইনক গ্ৰেপ্তাৰ কৰা হয়। জানিব পৰা মতে, ১৫ মে'ত মঙলদৈৰ উৰ্মিমালা দত্ত নামৰ এগৰাকী মহিলাই ইছমাইল হোছেইনৰ এটা ফেচবুক পোষ্টত বিতৰ্কিত কমেণ্ট কৰিছিল। বিতৰ্কিত কমেণ্টৰ প্ৰত্যুত্তৰ দি জাৰজ কিছুমান বুলি কৈ কৈছিল যে পতিতা এজনী মোৰ পোষ্টলৈ নহাই ভাল। উপাধি আৰু চেহেৰা দুয়োটাই বাহিৰৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজিও ন্যায়ৰ বাবে অপেক্ষাৰত হতভগা

আৰক্ষীৰ মহিলা উপ-পৰিদৰ্শক জোনমণি ৰাভাই। সেইগৰাকী জোনমণি ৰাভাৰ ৰহস্যজনক মৃত্যুৰ দুটা বছৰ আজি পূৰ্ণ হ'ল। জোনমণিৰ প্ৰাণ লোৱা এক সন্দেহজনক পথ দুৰ্ঘটনাৰ আজিও অধিক ৰহস্যঘনে হৈ থাকিল। ৰহস্যজঘন ঘটনাৰ অন্তৰালত কি আছিল সেয়া আজিও ৰহস্যজনক হৈয়ে থাকিল। আজি দ্বিতীয় মৃত্যু বাৰ্ষিকীত মাতৃয়ে মহানগৰীৰ কাহিলীপাৰাৰ ঘৰত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। বহু লোক ঘৰত উপস্থিত হৈ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি জোনমণিক স্মৰণ কৰে। ইপিনে মাতৃ সুমিত্ৰা ৰাভাই আজি তদন্তক লৈ অসন্তুষ্টি প্ৰকাশ কৰিছে। জোনমণি ৰাভাই ব্যৱহাৰ কৰা কিছু সা-সামগ্ৰী তেওঁ ঘৰলৈ আনিব বিচাৰিছিল। কিন্তু নগাঁও আৰক্ষীয়ে সা-সামগ্ৰীখিনি গতাই নিদিলে কয়- মাতৃ সুমিত্ৰা ৰাভাই। কন্যা জোনমণি ৰাভাক হেৰুওৱাৰ পিছতে জ্যেষ্ঠ পুত্ৰ তথা জোনমণিৰ ককায়েকো মৃত্যুক আঁকোৱালি লয়। দুই সন্তানক হেৰুওৱা দুৰ্ভগীয়া মাতৃগৰাকীয়ে কেমেৰাৰ সন্মুখত ফেকুৰি উঠে। জোনমণি ৰাভাৰ মাতৃ সুমিত্ৰা ৰাভা স্বাস্থ্যজনিত আৰু আৰ্থিক দৈন্যত দিন পাৰ কৰিছে। যেতিয়া ৪ এপ্ৰিলত জোনমণি ৰাভাক হত্যাৰ সন্দেহত মাতৃয়ে তৰা গোচৰ প্ৰত্যাহাৰ কৰিছিল খোদ মাতৃয়ে। গোচৰ প্ৰত্যাহাৰ কৰিছিল তেতিয়া টকা লৈ গোচৰ প্ৰত্যাহাৰ কৰা বুলি একাংশ লোকে ক'ব খুজিছিল যদিও তেতিয়া দুখুনী আই সুমিত্ৰা ৰাভাই কৈছিল যে জখলাবন্ধা বা কলিয়াবৰ ইমান দূৰলৈ গৈ মই কেছ খেলিব নোৱাৰো। মোৰ স্বাস্থ্য ভাল নহয়, মোৰ মানুহৰ অভাৱ, টকাৰ অভাৱ। সেইবাবেই গোচৰ উঠাই ল'ব লগা হ'ল। কিন্তু কন্যা জোনমণিৰ মৃত্যু দুৰ্ঘটনাত হোৱা বুলি আজিও মানি নলয় সুমিত্ৰা ৰাভাই। তেওঁ কয় যে এয়া দুৰ্ঘটনা নহয়। তদন্ত ভাল হ'লে আগতে হ'লহেঁতেন। দুই সন্তান হেৰুৱাই ভাগৰি পৰা মাতৃগৰাকীয়ে ন্যায় লাভৰ বাবে কিমান দৌৰিব। চিবিআয়ে তদন্তৰ প্ৰতিবেদনত জোনমণিৰ মৃত্যুৰ ঘটনাক দুৰ্ঘটনা বুলি উল্লেখ কৰিছিল। জোনমণি ৰাভা আছিল অসম আৰক্ষীৰ উপ-পৰিদৰ্শক। নগাঁও জিলাৰ মৰিকলং আৰক্ষী চকীত কৰ্মৰত আছিল। ২০২৩ চনৰ ১৬ মে'ৰ নিশা মাৰুতি এল্ট'ৰ ভিতৰত থকা অৱস্থাতে জখলাবন্ধাৰ সৰুভগীয়াত ট্ৰাকৰ খুন্দাত প্ৰাণ গৈছিল। ইউ পি-৭৮-ইউটি-৪৫১৮ নম্বৰৰ ট্ৰাকখনে খুন্দা মাৰিছিল। জোনমণিক হত্যা কৰাৰ সন্দেহ কৰা হয়। খোদ আৰক্ষীয়ে হত্যা কৰাৰ অভিযোগ উঠে। প্ৰথমে অসম আৰক্ষীৰ চিআইডি পাছত চিবিআইক গোচৰ দিয়া হয়। চিবিআয়ে প্ৰায় ৮ মাহ তদন্ত কৰে। মহিলা আৰক্ষী বিষয়াগৰাকীৰ মৃত্যুৰ ৰহস্য ভেদ হোৱাটো বিচাৰিছিল ৰাজ্যবাসীয়ে। কিন্তু ৭ ফেব্ৰুৱাৰীত চিবিআয়ে জোনমণি ৰাভাৰ মৃত্যু ঘটনাক লৈ আদালতত প্ৰতিবেদন দাখিল কৰে। সুদীৰ্ঘ ৮ মাহৰ পিছত নগাঁও সত্ৰ ন্যায়াধীশৰ আদালতত চিবিআয়ে জোনমণি ৰাভাৰ মৃত্যু ঘটনাৰ চূড়ান্ত প্ৰতিবেদন দাখিল কৰিছিল। চিবিআয়ে দাখিল কৰা চূড়ান্ত প্ৰতিবেদনত নিশা দুৰ্ঘটনাত পতিত হৈ মৃত্যু হৈছিল জোনমণি ৰাভাৰ। এই প্ৰতিবেদনক লৈ হতাশ হৈছিল জোনমণি ৰাভাৰ মাতৃ। আজি দ্বিতীয় মৃত্যুবাৰ্ষিকীত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে আজি জোনমণি ৰাভাৰ এখন ফটো শ্বেয়াৰ কৰে। ফটোখন শ্বেয়াৰ কৰি জোনমণি ৰাভাৰ মাতৃয়ে ন্যায় পালেনে বুলি প্ৰশ্ন কৰে। জোনমণি শ্ৰদ্ধাৰে স্মৰণ কৰি লুৰীণজ্যোতি গগৈয়ে কয় যে দক্ষতাৰে নিজৰ কৰ্তব্য সম্পাদন কৰি কম সময়তে জনপ্ৰিয় হৈ পৰা আৰক্ষী বিষয়াগৰাকীৰ মৃত্যু ৰহস্যৰ আজিও অন্ত নপৰিল। চিবিআয়ে প্ৰতিবেদন দাখিল কৰিলে। ক'লে সেয়া দুৰ্ঘটনাহে আছিল! পিছে, তাতেই সকলো কথা শেষ হৈ যায়নে? সেই সময়ত যিসমূহ বিষয় পোহৰলৈ আহিছিল, সেই বিষয়সমূহক চৰকাৰে বিগত সময়ছোৱাত তিলমানো গুৰুত্ব প্ৰদান নকৰিলে। নকল সোণৰ ক'লা বজাৰখনৰ কি হ'ল? জোনমণি ৰাভাৰ ৰহস্যজনক মৃত্যুৰে নাম সাঙোৰ খাই পৰা আৰক্ষীৰ উচ্চপদস্থ বিষয়াবোৰ কিয় আওতালৈ নাহিল? এনে প্ৰশ্নসমূহ আজিও অসমবাসীৰ মনত সজীৱ হৈ আছে। নাৰী সুৰক্ষাত চৰকাৰৰ গৃহ বিভাগ যে চূড়ান্ত ব্যৰ্থ সেয়া জোনমণি ৰাভাৰ মৃত্যুৱে উদঙাই থৈ গৈছে। ন্যায় পালেনে জোনমণি ৰাভাই? ন্যায় নাপালে। মাথোঁ বুকু শুদা কৰি আইমাতৃগৰাকীৰ কান্দোন আৰু হুমুনিয়াহবোৰ গধুৰ হৈ গৈ থাকিল দিনে-দিনে। ইপিনে কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰ গোস্বামীয়ে আজি জোনমণি ৰাভাৰ কাহিলীপাৰাৰ ঘৰত উপস্থিত হৈ প্ৰতিচ্ছৱিত মাল্যাৰ্পণ কৰে। মীৰা বৰঠাকুৰ গোস্বামীয়ে কয়, আমি এগৰাকী সাহসী আৰক্ষী বিষয়াক হেৰুৱালো। সত্য আজিও ৰহস্য হৈ থাকিল।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সৰাপাত বুটলি বুটলি বসন্তৰ শেষত

সকলোকে কন্দুৱাই আজি গুৱাহাটী মহানগৰীৰ নেমকেয়াৰ হাস্পতালত চিকিৎসাধীন অৱস্থাতে জীৱন নাট সামৰে। ‘সৰা পাতে পাতে ফাগুন নামে’ এই গীতটোৰে জনপ্ৰিয়তা অৰ্জন কৰা কণ্ঠশিল্পী গায়ত্ৰী হাজৰিকাই মাথোঁ ৪৫ বছৰ বয়সতে ইহলীলা সম্বৰণ কৰে। দীৰ্ঘ সময় ধৰি তেওঁ কৰ্কট ৰোগত আক্ৰান্ত হৈ চিকিৎসা কৰি আছিল। তেওঁক ১২ মে’ত পুনৰ নেমকেয়াৰ হাস্পতালত ভৰ্তি কৰিছিল পৰিয়ালে। নীৰৱে সংগীতৰ সাধনা কৰা গায়ত্ৰী হাজৰিকাৰ অকাল বিয়োগত ৰাজ্যত শোকৰ ছাঁ পৰিছে। ১৯৮০ চনত গুৱাহাটীত জন্মগ্ৰহণ কৰা গায়ত্ৰী হাজৰিকাই গুৱাহাটীৰ টি চি ছোৱালী হাইস্কুল, সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল। ১১ বছৰ বয়সত প্ৰথম মঞ্চত গীত পৰিৱেশন কৰিছিল গায়ত্ৰীয়ে। ১৯৯২ চনত আকাশবাণী গুৱাহাটী আৰু দূৰদৰ্শন কেন্দ্ৰত শিশু শিল্পী শিতানত গীত পৰিৱেশন কৰিছিল। কলকাতাৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ পৰা শাস্ত্ৰীয় সংগীতত স্নাতক, লক্ষ্ণৌৰ ভাতখাণ্ডে সংগীত বিদ্যাপীঠৰ পৰা এম মিউজ ডিগ্ৰী আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত সংগীত বিষয়ত অসমৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰিছিল। শেহতীয়াকৈ ‘সৰা পাতে পাতে ফাগুন নামে’ গীতটোৰে ব্যাপক জনপ্ৰিয় অৰ্জন কৰিছিল। সৰা পাতে পাতে ফাগুন নামে গীতটোৰেই নহয়, আবেলিৰ হেঙুলী আকাশে, ইমান সেমেকা, জোনাক নাছিল বনত, তুমি অহাৰ বাতৰি পালে, তোমালৈ মোৰ মৰম, মন মোৰ উৰি ফুৰে, মাথোঁ এজাক বৰষুণ, যেতিয়া জোনাক নামিছিল, সোণোৱালী সপোন আদি গীত গাই অসমৰ সংগীত ক্ষেত্ৰখনক সমৃদ্ধ কৰিছিল। ক্ৰোধ, ৰত্নাকৰ, কাঞ্চনজংঘা আদিৰ দৰে অসমীয়া বোলছবিত কণ্ঠদান কৰিছিল। ৰত্নাকৰ ছবিৰ ‘ৰাতি ৰাতি’ শীৰ্ষক গীতটোত বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। ধাৰাবাহিক বৈদেহী, ৰ’দালী, দামিনী, মমতা, পৰিণীতা, আল্পনা আদিত সুৰ দিছিল। ২০১৪ চনত ‘মিঠা আৰেশেৰে’ ২০১৭ চনত সুৰৰ আৰেশেৰে, সুন্দৰপুৰ কেঅছ ছবিখন প্ৰযোজনা কৰাৰ লগতে ছবিখনৰ গীততো কণ্ঠদান কৰিছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জনপ্ৰিয় শিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি এক বিবৃতি জাৰি কৰিছে। বিবৃতিত কোৱা হৈছে যে এটি অম্লান কণ্ঠৰ চিৰবিদায়। অসমবাসীৰ অতি আদৰৰ কণ্ঠশিল্পী, অতি সম্ভ্ৰান্ত সংগীত সাধক গায়ত্ৰী হাজৰিকাৰ অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছো। এমুঠি চিৰসেউজ গীতত কণ্ঠদান কৰি সকলোৰে নয়নৰ মণি হোৱা গায়ত্ৰী হাজৰিকাৰ অসমীয়া সংগীতলৈ আগবঢ়োৱা অৱদানক চিৰদিন প্ৰতিজন সংগীত অনুৰাগী তথা অসমবাসীয়ে স্মৰণ কৰিব বুলি তেওঁ উল্লেখ কৰে। বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি ঈশ্বৰৰ শ্ৰীচৰণত প্ৰাৰ্থনা জনায় আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গ, তেওঁৰ অনুৰাগীসকলকো গভীৰ সমবেদনা জ্ঞাপন কৰে মুখ্যমন্ত্ৰীয়ে। যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে জনপ্ৰিয় শিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। গৌৰৱ গগৈয়ে কয় যে যশস্বী কণ্ঠশিল্পী গায়ত্ৰী হাজৰিকাৰ অকাল বিদায়ত আমি গভীৰভাৱে শোকাহত। তেওঁৰ সুমধুৰ কণ্ঠ আৰু অসামান্য গীতসমূহে অসমৰ সাংস্কৃতিক জগতক চিৰদিন সমৃদ্ধ কৰি ৰাখিব। তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ আৰু শোকসন্তপ্ত পৰিয়ালৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ। ওঁম শান্তি। অসম জাতীয় পৰিষদৰ লুৰীণজ্যোতি গগৈয়ে গভীৰ শোক প্ৰকাশ কৰি কয় যে এয়া বুকু বিদাৰি যোৱা খবৰ। অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনক নিজৰ অনন্য প্ৰতিভা আৰু স্বকীয় শৈলীৰে কম সময়তে সমৃদ্ধ কৰি গ’ল শিল্পীগৰাকীয়ে। অসমীয়া সংগীতৰ যুগমীয়া ঐতিহ্যক ৰুচিশীলতাৰ নতুন দিশেৰে আগুৱাই নিছিল তেওঁ। অত্যন্ত পৰিশীলিত ব্যক্তিত্বৰ অধিকাৰী শিল্পী আছিল তেওঁ। অসমবাসীয়ে তেওঁৰ পৰা আৰু বহু পাবলৈ থাকি গ’ল। তেওঁৰ অকাল বিয়োগ সাংস্কৃতিক জগতৰ অপূৰণীয় ক্ষতি। তেওঁৰ শোকাকুল পৰিয়ালবৰ্গ আৰু গুণমুগ্ধসকললৈ সমবেদনা জ্ঞাপন কৰিছোঁ। ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে গভীৰ শোক প্ৰকাশ কৰি কয় যে জনপ্ৰিয় কণ্ঠশিল্পী গায়ত্ৰী হাজৰিকাৰ মৃত্যুৰ খবৰে ব্যথিত কৰিছে। কেইবামাহো ধৰি এক দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ থকা গায়ত্ৰী হাজৰিকাৰ মৃত্যু সংগীত জগতৰ বাবে এক অপূৰণীয় ক্ষতি। তেওঁলৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ জনালোঁ গভীৰ সমবেদনা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যুদ্ধবিৰতিৰ আশাত যতি! মস্কো-কিয়ভলৈ

তিনি বছৰৰ ভিতৰত প্ৰথমবাৰৰ বাবে মুখামুখিকৈ বৈঠকত মিলিত হোৱাৰ পিছতো যুদ্ধবিৰতিৰ চুক্তিত উপনীত হ’ব নোৱাৰিলে কিয়ভ আৰু মস্কো। ইয়াৰ বিপৰীতে ৰাছিয়াই কিছুমান চৰ্ত নিৰ্ধাৰণ কৰিছে, কিন্তু এই চৰ্তসমূহ পূৰ্বৰ দাবীতকৈও কঠিন বুলি আপত্তি দৰ্শায় ইউক্ৰেইনৰ এজন শীৰ্ষ প্ৰতিনিধিয়ে। উল্লেখ্য যে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পৰ তীব্ৰ হেঁচাত অৱশেষত দুয়োখন দেশৰ প্ৰতিনিধি দলে তুৰস্কৰ ইস্তানবুলৰ এটা ৰাজপ্ৰসাদত দুঘণ্টাৰো কম সময়ৰ বাবে বৈঠকত মিলিত হয়। বৈঠকৰ পিছত যুদ্ধবিৰতিৰ কোনো তাৰিখ ঘোষণা নকৰাত হতাশ হৈ পৰিছে কূটনৈতিক মহল। অৱশ্যে দুয়োখন দেশৰ মাজত এহাজাৰ যুদ্ধবন্দীক ইজনে সিজনক ঘূৰাই দিবলৈ সন্মত হৈছে। ইস্তানবুলত এই আলোচনাৰ মাজতে ইউক্ৰেইনে যুদ্ধবিৰতিৰ প্ৰস্তাৱত সন্মতি নিদিলে ৰাছিয়াৰ ওপৰত কঠোৰ নিষেধাজ্ঞা আৰোপ কৰাৰ আহ্বান জনায়। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ’ল’ডিমিৰ জেলেনস্কিয়ে ফ্ৰান্স, জাৰ্মানী, পোলেণ্ড আৰু ট্ৰাম্পৰ সৈতে এজন এজনকৈ টেলিফোনিক বাৰ্তালাপ কৰে। ইউক্ৰেইনে অভিযোগ কৰিছে যে ৰাছিয়াৰ দাবীসমূহ “অবাস্তৱিক আৰু পূৰ্বৰ যিকোনো আলোচনাৰ সীমাৰ বাহিৰলৈ গৈছে।” লক্ষণীয় যে ৰাছিয়াই দিয়া এই চৰ্তসমূহৰ ভিতৰত আছিল ইউক্ৰেইনৰ নিজৰ কিছুমান ভূখণ্ডৰ পৰা সৈন্য সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰা আৰু যুদ্ধবিৰতিৰ বিনিময়ত কিছুমান ‘অসম্ভৱ আৰু অগঠনমূলক’ চৰ্ত গ্ৰহণ কৰা। ব্ৰিটিছ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰমাৰে ৰাছিয়াৰ এই প্ৰস্তাৱক তীব্ৰ গৰিহণা দি ইয়াক “গ্ৰহণযোগ্য নহয়” বুলি অভিহিত কৰে। তেওঁ দাবী কৰে যে ইউৰোপীয় নেতা, আমেৰিকা আৰু ইউক্ৰেইন এতিয়া “একে পথেৰে আগবাঢ়িছে।” একে সময়তে জেলেনস্কিয়ে কয় যে তেওঁলোকৰ একমাত্ৰ লক্ষ্য হৈছে “সম্পূৰ্ণ, নিঃচৰ্ত আৰু আন্তৰিক যুদ্ধবিৰতি”, যিয়ে নৰসংহাৰ বন্ধ কৰি শান্তিপূৰ্ণ আলোচনাৰ ভেটি সৃষ্টি কৰিব। যদি ৰাছিয়াই সেই পথ অনুসৰণ কৰিব নিবিচাৰে তেন্তে তেওঁলোকৰ শক্তিশালী বেংক আৰু শক্তি খণ্ডৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰাৰ দাবী জনায় জেলেনস্কিয়ে। আনহাতে, ৰাছিয়াই কয় যে তেওঁলোকে যুদ্ধৰ কূটনৈতিক অন্ত পেলোৱাটো বিচাৰে যদিও যুদ্ধবিৰতিৰ সময়ত ইউক্ৰেইনে যাতে অধিক সৈন্য আৰু অস্ত্ৰ-শস্ত্ৰ মজুত কৰিব নোৱাৰে তাৰ বাবে কিছু প্ৰশ্ন আৰু উদ্বেগ উত্থাপন কৰিছে। বৈঠকৰ আৰম্ভণিতে তুৰ্কীৰ বৈদেশিক মন্ত্ৰী হাকান ফিডানে কয়, "দুটা পথ আছে - এটাই শান্তিৰ দিশে লৈ যাব, আনটোৱে ধ্বংস আৰু মৃত্যুৰ দিশলৈ লৈ যাব। কোনটো পথ ল’ব সেয়া দুয়োখন দেশেই নিজেই সিদ্ধান্ত ল’ব।" উল্লেখযোগ্য যে ৰাষ্ট্ৰপতি পুটিনে এই আলোচনাৰ প্ৰস্তাৱ দিয়াৰ পিছতো ইউক্ৰেইনৰ সৈতে মুখামুখিকৈ বহিবলৈ অস্বীকাৰ কৰিছিল। তাৰ পৰিৱৰ্তে তেওঁ এটা মধ্যম পৰ্যায়ৰ প্ৰতিনিধি দল প্ৰেৰণ কৰে। ইউক্ৰেইনেও সমান মৰ্যাদাৰ প্ৰতিনিধি দল প্ৰেৰণ কৰে। এই বৈঠকৰ ঠিক আগতে ৰাছিয়াই দাবী কৰিছিল যে তেওঁলোকে পূব ইউক্ৰেইনৰ আন এখন গাঁও দখল কৰিছে। প্ৰণিধানযোগ্য যে ২০২২ চনৰ আৰম্ভণিতো ইস্তানবুলত একেধৰণৰ আলোচনা হৈছিল। সেই সময়ত ইউক্ৰেইনেও ৰাছিয়াৰ আক্ৰমণৰ সৈতে মোকাবিলা কৰি আছিল।
সেই সময়ত মস্কোৱে ইউক্ৰেইনৰ সেনাবাহিনী ব্যাপকভাৱে হ্ৰাস কৰাৰ দাবী জনাইছিল।
কিয়ভে ৰাছিয়াৰ বিৰুদ্ধে এতিয়া অভিযোগ কৰিছে তেওঁলোকে একেটা পুৰণি আলোচনাৰ আৰ্হিৰে আগবাঢ়িব বিচাৰিছে। এই প্ৰেক্ষাপটত পুটিনে আকৌ এবাৰ ৰাছিয়াৰ পুৰণি দাবীৰ ওপৰতে গুৰুত্ব কৰিছে আঁকোৰগোজ স্থিতি- ইউক্ৰেইনৰ এটা অংশ এৰি দিয়া, নাটোত যোগদান নকৰা আৰু নিৰপেক্ষ দেশ হৈ থকা। কিন্তু ইউক্ৰেইনে এই চৰ্তসমূহক আত্মসমৰ্পণ হিচাপে গ্ৰহণ কৰিবলৈ অনিচ্ছুক আৰু পশ্চিমীয়া বিশ্ব বিশেষকৈ আমেৰিকাৰ পৰা নিৰাপত্তাৰ নিশ্চয়তা বিচাৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজয় শ্বাহৰ বিৰুদ্ধে এজাহাৰ এপিচিচিৰ

বিজয় শ্বাহে ভাৰতীয় সেনাৰ কৰ্নেল ছোফিয়া কুৰেশ্বীক লৈ কৰা বিতৰ্কিত মন্তব্যই দেশজুৰি তুলিছে ক্ষোভৰ জোৱাৰ। বিজেপি মন্ত্ৰীজনৰ এনে মন্তব্যৰ বিৰুদ্ধে আজি দিছপুৰ থানাত এজাহাৰ দাখিল কৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়েও। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ মুখপাত্ৰ বনদীপ দত্তৰ নেতৃত্বত এটা প্ৰতিনিধি দলে শুকুৰবাৰে দিছপুৰ থানাত উপস্থিত হৈ বিজয় শ্বাহৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। বনদীপ দত্তই কয়, 'মধ্য প্ৰদেশৰ মন্ত্ৰী বিজয় শ্বাহৰ এই মন্তব্যই ভাৰতৰ সংবিধানৰ সাৰ্বভৌমত্বৰ ওপৰত ভাবুকিৰ সৃষ্টি কৰিছে। দেশৰ এই সময়ছোৱাত ভাৰতৰ প্ৰতিজন নাগৰিকৰ লগতে আমাৰ কংগ্ৰেছ দলো চৰকাৰ তথা ভাৰতীয় সেনাৰ লগত আছে। তেনে সময়ত এনে মন্তব্য দেশৰ ঐক্য আৰু অখণ্ডতাৰ ওপৰত প্ৰশ্ন তোলাৰ সমান।" উল্লেখ্য যে পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰতীয় সেনাই কৰ্নেল ছোফিয়া কুৰেশ্বীৰ নেতৃত্বত পাকিস্তানী সন্ত্ৰাসবাদীৰ বিৰুদ্ধে প্ৰত্যাক্ৰমণ চলাইছিল। তাৰ পিছত মধ্য প্ৰদেশৰ মন্ত্ৰী বিজয় শ্বাহে মহুৰ এখন সভাত কৰ্নেল ছোফিয়া কুৰেশ্বীৰ নাম উল্লেখ নকৰাকৈয়ে এগৰাকী সেনা বিষয়াক 'সন্ত্ৰাসবাদীৰ ভগ্নী' বুলি আখ্যা দিয়ে। এই মন্তব্যৰ ভিডিঅ' ভাইৰেল হৈ পৰাৰ লগে লগে দেশজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। মধ্য প্ৰদেশ উচ্চ ন্যায়ালয়ে বিজয় শ্বাহৰ বিৰুদ্ধে গোচৰ পঞ্জীয়ন কৰিবলৈ চৰকাৰক নিৰ্দেশ দিছে। কংগ্ৰেছে মন্ত্ৰীজনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক দাবী জনাই আহিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চিকিৎসাত গাফিলতি! ২০ লাখ টকা

ৰোগীৰ অভিযোগৰ ভিত্তিত ৰাষ্ট্ৰীয় গ্ৰাহক বিবাদ নিৰাময় আয়োগে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে চিকিৎসালয়খনৰ বিৰুদ্ধে। ২০১৪ চনৰ ৫৮১ নং গ্ৰাহক অভিযোগৰ ভিত্তিত যোৱা ৩০ এপ্ৰিলত ৰাষ্ট্ৰীয় বিবাদ নিৰাময় আয়োগে এই ব্যৱস্থা গ্ৰহণ কৰে। জানিব পৰা মতে, ২০১৪ চনত চিকিৎসালয়খনৰ গাফিলতিৰ বাবেই অৰুণাচল প্ৰদেশৰ টাকাম জেমছ নামৰ এগৰাকী ৰোগী শাৰীৰিক অক্ষমতাৰ বলি হয়। ইয়াৰ পিছতে, ৰাষ্ট্ৰীয় বিবাদ নিৰাময় আয়োগৰ কাষ চাপে ভুক্তভোগী টাকাম জেমছ। ১১ বছৰ ধৰি চলা বিচাৰ প্ৰক্ৰিয়াৰ পিছত শেহতীয়াকৈ আয়োগে চিকিৎসালয়খন আৰু ইয়াৰ চিকিৎসকসকলক জেমছক চিকিৎসাৰ সময়ত হোৱা ক্ষতিৰ বাবে ২০ লাখ টকা দিবলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে টাকাম জেমছে ২০১৪ চনত জিএনআৰচি হাস্পতালৰ তিনিজন চিকিৎসক ক্ৰমে ডাঃ নৱনীল বৰুৱা, ডাঃ বিৱান বিহাৰী দে' আৰু ডাঃ মনোজ আগৰৱালাৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিছিল। জেমছে অভিযোগ কৰি কয় যে মূলতঃ এই তিনিজন চিকিৎসকৰ গাফিলতিৰ বাবে তেওঁ শাৰীৰিক অক্ষমতাৰ বলি হয়। ইয়াৰ বাবে তেওঁ ৰাষ্ট্ৰীয় বিবাদ নিৰাময় আয়োগৰ ওচৰত ১২.৪ কোটি টকাৰ ক্ষতিপূৰণ দাবী কৰে। কিন্তু এই ধনৰাশি অত্যধিক বুলি বিবেচনা কৰি আয়োগে তেওঁক ২০ লাখ টকাৰ ক্ষতিপূৰণ দিবলৈ চিকিৎসালয়খনক নিৰ্দেশ দিয়ে। আয়োগৰ নিৰ্দেশ অনুসৰি, এমাহৰ ভিতৰত টাকাম জেমছক এই ধনৰাশি দিব লাগিব জিএনআৰচি কৰ্তৃপক্ষই। যদি তেওঁলোকে পলম কৰে তেন্তে ধন পৰিশোধ নকৰালৈকে প্ৰতি বছৰে অতিৰিক্ত ১২% সুত দিব লাগিব। আদালতে তেওঁলোকক জেমছৰ আইনী খৰচ বহন কৰিবলৈ আৰু ৫০ হাজাৰ টকা দিবলৈ কয়। ৰাষ্ট্ৰীয় বিবাদ নিৰাময় আয়োগৰ ন্যায়াধীশ সুভাষ চন্দ্ৰ আৰু ন্যায়াধীশ এভিএমজে ৰাজেন্দ্ৰৰ বিচাৰপীঠে এই কথাত সন্মতি প্ৰকাশ কৰে যে চিকিৎসালয়খনৰ গাফিলতিৰ বাবে জেমছে বিগত সময়ছোৱাত অতি কষ্ট ভোগ কৰিব লগা হৈছিল। যাৰ ফলত বিশেষ চিকিৎসাৰ বাবে অৰুণাচল প্ৰদেশৰ পৰা ভেলোৰলৈ যাবলগীয়া হৈছিল আৰু এতিয়াও তেওঁক নিয়মিত চিকিৎসাৰ প্ৰয়োজন।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডাইনী হত্যাৰ বিৰুদ্ধে চৰকাৰৰ

জাৰি কৰিছে। মানৱ সৰবৰাহ, ডাইনী হত্যা আদি কুসংস্কাৰৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ ৰাজ্য চৰকাৰে এই অধিসূচনা জাৰি কৰিছে। সকলোৰে সমমৰ্যদা আৰু নিৰ্যাতনমুক্ত জীৱন নিশ্চিত কৰাৰ উদ্দেশ্যে এই নীতি কাৰ্যকৰী কৰা হৈছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে এক্স হেণ্ডেলত প্ৰকাশ কৰিছে, "মানৱ সৰবৰাহৰ বিৰুদ্ধে যুঁজ আৰু ডাইনী হত্যা নিৰ্মূলৰ বাবে ৰাজ্য চৰকাৰে নিজৰ নীতি আনুষ্ঠানিকভাৱে অধিসূচিত কৰিছে। এইটো মানৱাধিকাৰ আৰু মৰ্যাদা সুৰক্ষাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ।" জানিব পৰা মতে, ৰাজ্যপালৰ নিৰ্দেশত ৬ মে'ত জাৰি কৰা এই নীতি আনুষ্ঠানিক গেজেটত প্ৰকাশৰ তাৰিখৰ পৰা কাৰ্যকৰী হ'ব। এই নীতিৰ উদ্দেশ্য হৈছে এনে এখন সমাজ গঢ়ি তোলা য'ত সকলোৰে সমৰ্যাদাৰে জীৱন যাপন কৰিব পাৰে আৰু লগতে বৈষম্যৰ পৰা মুক্ত হৈ ব্যক্তিগত আৰু ৰাজহুৱা জীৱনত সমানভাৱে অংশগ্ৰহণ কৰিব পাৰে। নীতিত উল্লেখ্য কৰা হৈছে যে মানৱ সৰবৰাহ আৰু ডাইনী হত্যাই মহিলা আৰু যুৱতীসকলৰ ওপৰত অধিক প্ৰভাৱ পেলায়। মানৱ সৰবৰাহ এটা দ্ৰুতগতিত বৃদ্ধি পোৱা সংঘবদ্ধ অপৰাধ, আনহাতে ডাইনী হত্যা পশ্চাদপদ সাংস্কৃতিক প্ৰথাৰ পৰা উদ্ভৱ হোৱা এক সামাজিক ব্যাধি। অসমৰ ভৌগোলিক অৱস্থানে এই সমস্যাক অধিক গুৰুতৰ কৰি তোলে। উল্লেখ্য যে এই নীতিত অসম ডাইনী হত্যা (নিষেধ, প্ৰতিৰোধ আৰু সুৰক্ষা) আইন, ২০১৮-ৰ দ্বাৰা ডাইনী হত্যাক এক সুকীয়া, জামিন অযোগ্য আৰু বুজাপৰা অযোগ্য অপৰাধ হিচাপে গণ্য কৰা হৈছে। এই আইন প্ৰণয়নৰ পিছত ডাইনী হত্যাৰ ঘটনা হ্ৰাস পাইছে যদিও কিন্তু অসম আৰক্ষীৰ তথ্য অনুসৰি ২০২২-২৪ ৰ ভিতৰত ৩২ টা এনে গোচৰ পঞ্জীয়ন হৈছে। অৰ্থাৎ এই প্ৰথা সম্পূৰ্ণৰূপে এতিয়াও নিৰ্মূল হোৱা নাই।

নীতিত মানৱ সৰবৰাহ আৰু ডাইনী হত্যাৰ পীড়িতসকলৰ প্ৰতিৰোধ, সুৰক্ষা আৰু পুনৰ্বাসনৰ বাবে ব্যাপক হস্তক্ষেপৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। মহিলা আৰু শিশু কল্যাণ বিভাগে এই নীতিৰ কাৰ্যকৰীকৰণৰ বাবে নোডেল বিভাগ হিচাপে কাম কৰিব, আৰু অন্যান্য বিভাগসমূহে প্ৰাথমিক বা সহযোগী অংশীদাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰিব। ৰাজ্য, জিলা আৰু গ্ৰাম পঞ্চায়ত পৰ্যায়ত সমিতিসমূহ গঠন কৰা হ'ব যাতে প্ৰাথমিক স্তৰত এনে সমস্যাত হস্তক্ষেপ কৰিব পৰা যায়।

# অসম বিধানসভাৰ এদিনীয়া অধিৱেশন আহ্বান ৰাজ্যপালৰ

ই-সংবাদ, ১৬ মে': এদিনীয়াকৈ অনুষ্ঠিত হ'ব অসম বিধানসভাৰ বিশেষ অধিৱেশন। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অহা ৯ জুন, সোমবাৰে এদিনীয়াকৈ আহ্বান কৰিছে বিধানসভাৰ বিশেষ অধিৱেশনৰ। অসম বিধানসভা সচিবালয়ে জাৰি কৰা এক অধিসূচনাত প্ৰকাশ কৰা মতে, সেইদিনা পুৱা ৯.৩০ বজাৰ পৰা দিছপুৰৰ বিধানসভা চৌহদত অধিৱেশন আৰম্ভ হ'ব। ৰাজ্যপাল আচাৰ্যই এই বিশেষ বিধানসভা অধিৱেশৰ আহ্বান জনাই কয়, "ভাৰতীয় সংবিধানৰ ১৭৪(১) অনুচ্ছেদৰ অধীনত মোৰ হাতত থকা ক্ষমতা প্ৰয়োগেৰে মই লক্ষ্মণ প্ৰসাদ আচাৰ্যই অসমৰ ৰাজ্যপাল হিচাপে অসম বিধানসভাৰ এদিনীয়া অধিৱেশন দিছপুৰৰ বিধানসভাত সোমবাৰে, ৯ জুন, ২০২৫ তাৰিখে পুৱা ৯.৩০ বজাত আহ্বান জনাইছো।" ইফালে, এই অধিৱেশনক কেন্দ্ৰ কৰি প্ৰশাসনিক মহলত যথেষ্ট তৎপৰতা দেখা গৈছে। এই বিশেষ অধিৱেশনৰ কাৰণ এতিয়াও স্পষ্ট নহয় যদিও কোনো গুৰুত্বপূৰ্ণ বিধেয়ক বা সিদ্ধান্ত উত্থাপন কৰাৰ সম্ভাৱনা ব্যক্ত কৰিছে ৰাজনৈতিক মহলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডিএছপি কন্যাই উদঙালে পিতৃৰ কু-কীৰ্তি

জীয়াৰীৰ কথা নুশুনি সুৰাৰ অবৈধ বেহাত মচগুল হৈ পৰিছিল পিতৃ। এনে কাৰণতে বহু আগতেই পিতৃ আৰু পৰিয়ালৰ সৈতে সম্পৰ্কও ছেদ কৰি পেলাইছিল আৰক্ষী বিষয়া কন্যাই। কিন্তু তাৰ পিছতো পিতৃৰ নেগুৰ চিধা নোহোৱাত অৱশেষত নিজেই পিতৃৰ কু-কীৰ্তিৰ কথা আৰক্ষীক অৱগত কৰি অবৈধ সুৰা চক্ৰ উৎখাত কৰিলে কন্যাই। গোপনীয় সূত্ৰৰ পৰা পোৱা তথ্যৰ ভিত্তিত বৃহস্পতিবাৰে সন্ধিয়া গুৱাহাটীৰ লতাশিল অঞ্চলৰ মালিবাগানত অৱস্থিত এটা ঘৰত আৰক্ষীয়ে অভিযান চলায় আৰু বৃহৎ পৰিমাণৰ বিদেশী সুৰা জব্দ কৰে। সূত্ৰ অনুসৰি, সেই ঘৰটো আছিল বৰ্তমান শোণিতপুৰ জিলাত উপ-আৰক্ষী অধীক্ষক হিচাপে কৰ্মৰত এগৰাকী জ্যেষ্ঠ মহিলা এপিএছ বিষয়াৰ। আৰক্ষী বিষয়াগৰাকীয়ে নিজেই পিতৃৰ সেই সুৰা ব্যৱসায়ৰ বিষয়ে খবৰ দি আৰক্ষীৰ হতুৱাই উৎখাত কৰে এই সুৰা সৰবৰাহ চক্ৰ। আৰক্ষীৰ সূত্ৰ অনুসৰি, ডিএছপিগৰাকীৰ বাসগৃহত পিতৃ-মাতৃয়ে চলাই আহিছিল অবৈধ সুৰা সৰবৰাহ চক্ৰ। অভিযানৰ সময়ত তেওঁৰ পিতৃ ধন দাস আৰু মাতৃয়ে পলায়ন কৰিবলৈ সক্ষম হয় যদিও আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা কেইবাকাৰ্টন বিদেশী সুৰা জব্দ কৰে। উল্লেখ্য যে অভিযুক্ত ধন দাসৰ বিৰুদ্ধে পূৰ্বেও একেধৰণৰ অপৰাধৰ অভিযোগ উত্থাপন হৈছিল। জানিব পৰা মতে, ইয়াৰ পূৰ্বে উজানবজাৰ অঞ্চলত অবৈধ সুৰাৰ ব্যৱসায় চলোৱাৰ অভিযোগত তেওঁক গ্ৰেপ্তাৰ হৈছিল। কিন্তু আৰক্ষীৰ একাধিক অভিযান আৰু আৰক্ষী কন্যাৰ বুজনিৰ পিছতো তেওঁ চলাই গৈছিল এই অবৈধ বেহা। সূত্ৰ অনুসৰি, এইবাৰ গোটেই ঘটনাটো আৰম্ভ হৈছিল ধন দাসৰ ডিএছপি কন্যাৰ নিজা উদ্যোগত। পিতৃৰ অবৈধ সুৰা ব্যৱসায়ৰ কথা লতাশিল আৰক্ষী থানাক অৱগত কৰিছিল তেওঁ নিজেই। আৰক্ষীৰ সূত্ৰই এই কথাও প্ৰকাশ কৰিছে যে পিতৃৰ এনেধৰণৰ অবৈধ কাৰ্যকলাপৰ বাবেই বহু আগতেই পিতৃৰ সৈতে তেওঁ সকলো সম্পৰ্ক বিচ্ছিন্ন কৰিছিল। অৱশ্যে আৰক্ষীৰ অভিযানৰ সময়ত পুনৰ পলায়ন কৰিবলৈ সক্ষম হয় তেওঁৰ অভিযুক্ত পিতৃ-মাতৃ। ইতিমধ্যে আৰক্ষীয়ে তেওঁলোকক বিচাৰি অভিযান আৰম্ভ কৰিছে। একে সময়তে এই অবৈধ ব্যৱসায়িক নেটৱৰ্কৰ পৰিসৰৰো তদন্ত আৰম্ভ কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘স্বভাৱ সলনি নকৰিলে নিস্তাৰ নাই

অপাৰেচন সেন্দূৰৰ পিছত ভাৰতীয় বায়ুসেনাৰ সাহস আৰু সফলতাক লৈ আজি গৌৰৱান্বিত সমগ্ৰ দেশ। পাকিস্তানৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ এই বিজয়ৰ পৰিপ্ৰেক্ষিতত বৃহস্পতিবাৰে ভূজৰ ৰুদ্ৰমাতা বায়ুসেনা ষ্টেচনত উপস্থিত হয় দেশৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং। অপাৰেচন সেন্দূৰৰ সাফল্যৰ প্ৰশংসা কৰি তেওঁ কয়, "১৯৬৫ চনৰ পিছত পুনৰ এবাৰ এই ভূমি পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ জয়ৰ সাক্ষী হৈছে।" ভূজ বায়ুসেনা ঘাটিত উপস্থিত হৈ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, “অপাৰেচন সেন্দূৰৰ সময়ত ভাৰতীয় বায়ুসেনাই গ্ৰহণ কৰা পদক্ষেপে কেৱল দেশৰ জনসাধাৰণকে নহয়, সমগ্ৰ বিশ্বৰ ভাৰতীয়সকলকো গৌৰৱান্বিত কৰিছে।” তেওঁ বায়ুসেনাৰ জোৱানসকলক উদ্দেশ্যি কয়, "আপোনালোকে যি কৰিছে, সেই কামে ভাৰতৰ জনসাধাৰণৰ হৃদয়ত গৌৰৱপূৰ্ণ স্থান অধিকাৰ কৰিছে।" উল্লেখ্য যে প্ৰতিৰক্ষামন্ত্ৰীৰ ভূজ ভ্ৰমণৰ পূৰ্বে বুধবাৰে তেওঁ জম্মু-কাশ্মীৰত উপস্থিত হৈ শ্ৰীনগৰৰ বাদামীবাগ চাউনীত সেনা জোৱানসকলক সাক্ষাৎ কৰিছিল। ইয়াৰ পিছতে আজি তেওঁ পাকিস্তানৰ সৈতে ৫০৮ কিলোমিটাৰৰ আন্তঃৰাষ্ট্ৰীয় সীমান্ত ভাগ কৰা ভূজত উপস্থিত হৈ বায়ুসেনাৰ মনোবল বৃদ্ধি কৰে। প্ৰণিধানযোগ্য যে ভাৰতৰ বিৰুদ্ধে পাকিস্তানৰ ষড়যন্ত্ৰত একাধিকবাৰ ড্ৰোনেৰে টাৰ্গেট কৰি লোৱা হৈছিল ভূজক। কিন্তু ভাৰতৰ শক্তিশালী বায়ু প্ৰতিৰক্ষা ব্যৱস্থাই এই আক্ৰমণ প্ৰতিহত কৰিবলৈ সক্ষম হৈছিল। ৰাজনাথ সিঙে কয়, "১৯৬৫ চনত পাকিস্তানৰ বিৰুদ্ধে যুদ্ধৰ সময়ত ভূজে আমাৰ জয়ৰ সাক্ষী হৈছিল, আজি সেই একেখন ভূমি পুনৰ আমাৰ সফলতাৰ সাক্ষী হৈছে। মই ইয়াত উপস্থিত হৈ গৌৰৱ অনুভৱ কৰিছো।" তেওঁ আৰু কয় যে অপাৰেচন সেন্দূৰৰ সময়ত ভাৰতীয় বায়ুসেনাই পাকিস্তানত নিৰ্মিত সন্ত্ৰাসবাদীৰ ঘাটি মাত্ৰ ২৩ মিনিটতে ধ্বংস কৰিছিল। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে স্পষ্ট বাৰ্তা দি কয়, "পাকিস্তানত শিপাই থকা সন্ত্ৰাসবাদৰ নেলু চেপিবলৈ ভাৰতীয় সেনাক কেৱল ২৩ মিনিটেই যথেষ্ট। এয়া মাত্ৰ এটা ট্ৰেইলাৰ। সঠিক সময় আহিলে সম্পূৰ্ণ ছবিখন দেখুওৱা হ'ব।" উল্লেখ্য যে যোৱা ৭ মে'ত অপাৰেচন সেন্দূৰৰ জৰিয়তে ভাৰতীয় সেনাই পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰত অৱস্থিত জইছ-ই-মহম্মদ আৰু লস্কৰ-ই-তৈবাৰ ৯টা সন্ত্ৰাসবাদী ঘাটিত নিখুঁত বিমান আক্ৰমণ চলায়। ২২ এপ্ৰিলত পেহেলগামত সংঘটিত নৃশংস সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰ দি এই সামৰিক অভিযান চলায় ভাৰতীয় সেনাই। ইফালে, ভাৰতৰ এই অভিযানৰ পিছতে পাকিস্তানে পঞ্জাব আৰু ৰাজস্থানৰ সীমান্তৱৰ্তী অঞ্চলকে ধৰি সীমান্তত গোলাবৰ্ষণ, ড্ৰোন ব্যৱহাৰ আৰু অনুপ্ৰৱেশৰ চেষ্টা কৰে। কিন্তু ভাৰতীয় সেনা আৰু বায়ু প্ৰতিৰক্ষা ব্যৱস্থাৰ সক্ৰিয় কাৰ্যত সকলো প্ৰচেষ্টা ব্যৰ্থ হয়। পিছলৈ ১০ মে'ত দুয়োখন দেশৰ ডিজিএমঅ' পৰ্যায়ত যোগাযোগৰ জৰিয়তে যুদ্ধবিৰতিৰ বাবে প্ৰাৰম্ভিক বুজাবুজিত উপনীত হয়। পৰৱৰ্তী সময়ত ১২ মে'ত দ্বিতীয়বাৰৰ বাবে বৈঠকত মিলিত হয় দুয়োখন দেশৰ ডিজিএমঅ', য'ত দুয়োপক্ষই স্থল, আকাশ আৰু সাগৰত সকলো সামৰিক কাৰ্যকলাপ বন্ধ কৰিবলৈ সন্মত হয়। আজি ভূজ বিমান ঘাটিৰ পৰাই প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে সকীয়াই দিয়ে যে পাকিস্তান এতিয়া ভাৰতৰ নিৰীক্ষণত আছে। তেওঁ কয়, "যদি আচৰণৰ সলনি হয়, তেন্তে ভাল কথা। নহ'লে আটাইতকৈ কঠোৰ শাস্তি বিহা হ'ব।"

# সামাজিক মাধ্যমত পাকিস্তান জিন্দাবাদ পোষ্ট দিয়া চেঙাৰ সুখোৱাঝাৰৰ যুৱক ছানিদুল ইছলামক গ্ৰেপ্তাৰ আৰক্ষীৰ

**ই-সংবাদ, নগৰবেৰা, ১৬ মে':** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ আলোপতিচৰ আৰক্ষী থানাৰ অন্তৰ্গত সুখোৱাঝাৰ গাঁৱৰ এজন যুৱকক সমাজিক মাধ্যমত শত্ৰুৰাষ্ট্ৰ পাকিস্তান জিন্দাবাদ পোষ্ট দিয়াৰ অভিযোগত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। জানিব পৰা মতে, সুখোৱাঝাৰ গাঁৱৰ আলাউদ্দিনৰ পুত্ৰ ছানিদুল ইছলামে নিজৰ ইনষ্টাগ্ৰাম একাউন্টযোগে আমাৰ চুবুৰীয়া শত্ৰুৰাষ্ট্ৰ ‘পাকিস্তান জিন্দাবাদ’ বুলি পোষ্ট দিছিল। যুৱকজনৰ এনে দেশদ্ৰোহী পোষ্টকলৈ বৰপেটা জিলা আৰক্ষীৰ চাইবাৰ চেল তৎপৰ হৈ পৰে আৰু পিছত আলোপতিচৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱাশীষ ক্যাশপৰ তৎপৰত আৰক্ষীয়ে নিজাববীয়াকৈ ইউ/এছ ১৫২/১৯৬(১)(এ)/১৯৬(১)(বি )/১৯৭(১)(এ)/ ৩৫২ বিএনএছ, আৰ/ডব্লিউ ছেকচন ৬৬ ৰ আই টি এক্টৰ অধীনত ২৪/২৫ নম্বৰত এক গোচৰ ৰুজু কৰি কালি অভিযুক্ত যুৱক ছানিদুল ইছলামক গ্ৰেপ্তাৰ কৰে। আজি পুৱাৰ ভাগত আৰক্ষীয়ে ধৃত যুৱক ছানিদুল ইছলামক জে'ললৈ প্ৰেৰণ কৰে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদীৰ চৰণত নতমস্তক দেশ, সেনা!

জনক মন্তব্যই তোলপাৰ কৰি ৰাখিছে সমগ্ৰ দেশ। আদালতেও আনকি স্বতঃপ্ৰণোদিত ব্যৱস্থা গ্ৰহণ কৰি বিজেপি মন্ত্ৰীজনৰ বিৰুদ্ধে এজাহাৰ দাখিলৰ নিৰ্দেশ দিছে আৰক্ষীক। আৰু সেই বিতৰ্ক মাৰ নৌযাওঁতেই এইবাৰ ভাৰতীয় সেনাক লৈ আপত্তিজনক মন্তব্য কৰি এক নতুন বিতৰ্কৰ পাতনি মেলিলে মধ্যপ্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী তথা বিজেপি নেতা জগদীশ দেওৱাই। ভাৰতীয় সেনা মোদীৰ চৰণত নতমস্তক বুলি উপ-মুখ্যমন্ত্ৰীজনে কৰা মন্তব্যৰ পিছতে এতিয়া সৰৱ হৈছে বিৰোধী, উঠিছে পদত্যাগৰ দাবীও। জবলপুৰত অসামৰিক প্ৰতিৰক্ষাৰ স্বেচ্ছাসেৱকৰ প্ৰশিক্ষণ শিবিৰত ভাষণ দিয়াৰ সময়ত এই বিতৰ্কিত মন্তব্য কৰে দেওৱাই। ভাষণত দেওৱাই কয় যে দেশৰ সেনা আৰু জোৱানসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰণত প্ৰণাম কৰে। অপাৰেচন সেন্দূৰৰ সাফল্যৰ কৃতিত্ব মোদীক দিব বিচাৰি ভাষণৰ সময়ত আবেগিক হৈ পৰে উপ-মুখ্যমন্ত্ৰী দেওৱা। তেওঁ কয় যে পেহেলগাম ভ্ৰমণ কৰিবলৈ যোৱাসকলক তেওঁলোকৰ ধৰ্মৰ ওপৰত ভিত্তি কৰি নিৰ্বাচিতভাৱে হত্যা কৰাৰ বাবে দেশবাসীৰ হৃদয়ত অত্যন্ত ক্ষোভৰ উদগীৰণ ঘটিছিল। মহিলাসকলক আছুতীয়াকৈ থিয় কৰাই তেওঁলোকৰ সন্মুখতে গুলীয়াই হত্যা কৰা হৈছিল পুৰুষসকলক। সেইদিনাৰ পৰা দেশবাসীৰ মাজত এটাই প্ৰতিশ্ৰুতি আছিল- প্ৰতিশোধ লোৱালৈকে, সেই অপৰাধীক ধ্বংস নোহোৱালৈকে শান্তি নাথাকিব। তেওঁ কয়, "আমি যোগ্য প্ৰধানমন্ত্ৰীক ধন্যবাদ জনাইছো। তেওঁ দিয়া উত্তৰ অতুলনীয় আছিল। তেওঁৰ নেতৃত্বক লৈ গৌৰৱ অনুভৱ কৰিছে দেশৰ সেনা আৰু জনসাধাৰণে। এই যোগ্য প্ৰত্যুত্তৰৰ বাবে আজি সেনা আৰু সমগ্ৰ দেশবাসী প্ৰধানমন্ত্ৰী মোদীৰ চৰণত নতমস্তক।" মধ্যপ্ৰদেশৰ বিজেপি নেতাজনে কৰা এনে মন্তব্যৰ পিছতে সৃষ্টি হয় তীব্ৰ প্ৰতিক্ৰিয়াৰ। ভাৰতীয় সেনাক এনে মন্তব্যৰে অপমান কৰাৰ অভিযোগ তুলি সৰৱ হৈ পৰে বিৰোধী কংগ্ৰেছো। বিৰোধী দলটোৱে নিজৰ এক্স হেণ্ডেলত লিখিছে, 'দেশৰ সেনা-জোৱান নৰেন্দ্ৰ মোদীৰ চৰণত নতমস্তক'- এই বক্তব্য অত্যন্ত লজ্জাজনক আৰু অপমানজনক। এয়া সেনাৰ বীৰত্ব আৰু ত্যাগক কৰা অপমান। যেতিয়া সমগ্ৰ দেশে সেনাবাহিনীৰ ওচৰত নতমস্তক হৈ আছে, সেই সময়ত বিজেপিৰ এজন নেতাই এনে মন্তব্য কৰি প্ৰমাণ কৰিলে যে তেওঁলোকৰ সেনাবাহিনীৰ প্ৰতি কোনো সন্মান নাই।" দেওৱাক অতি শীঘ্ৰে উপ-মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰি ৰাজহুৱাভাৱে ক্ষমা খোজাৰো দাবী জনায় কংগ্ৰেছে। অৱশ্যে এই বিতৰ্কৰ মাজতে স্পষ্টীকৰণ প্ৰদান কৰে জগদীশ দেওৱায়ো। তেওঁৰ দাবী, কংগ্ৰেছে তেওঁৰ বক্তব্য বিকৃত কৰি প্ৰচাৰ কৰিছে। তেওঁ কয় যে জবলপুৰৰ অসামৰিক প্ৰতিৰক্ষা প্ৰশিক্ষণ শিবিৰত তেওঁ কেৱল সেনাৰ বীৰত্ব আৰু অপাৰেচন সেন্দূৰৰ সফলতাৰ প্ৰশংসা কৰিছিল। তেওঁৰ বক্তব্য আছিল যে সেনাই যি সাহস দেখুৱাইছে তাৰ বাবে প্ৰশংসা অতি কম। দেশৰ জনসাধাৰণ সেনাবাহিনীৰ চৰণত আজি নতমস্তক। তেওঁ কয়, "আমি তেওঁলোকৰ বীৰত্বক সন্মান কৰো।" দেওৱাই লগতে কয় যে কংগ্ৰেছে উদ্দেশ্যপ্ৰণোদিতভাৱে তেওঁৰ বক্তব্য বিকৃত কৰি ভুলকৈ জনসাধাৰণৰ সন্মুখত উপস্থাপন কৰিছে। এনে পৰিকল্পিত ষড়যন্ত্ৰৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা লোৱা উচিত বুলিও উভতি ধৰে বিজেপি নেতাজনে। তেওঁ অভিযোগ কৰে যে কংগ্ৰেছে এতিয়া কোনো ইছ্যু বিচাৰি নাপাই বিভ্ৰান্তিৰ সৃষ্টি কৰিবলৈ এনে অপপ্ৰচাৰ চলাইছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# তালিবানেৰে আলাপ ভাৰতৰ

উত্তেজনাৰ সময়ত ভাৰতৰ কাষত মিত্ৰ হৈ থিয় দিছে আফগানিস্তান। যোৱা মাহত পেহেলগামত সংঘটিত হোৱা নাৰকীয় সন্ত্ৰাসবাদী আক্ৰমণৰ গৰিহণা দি পাকিস্তানৰ বিৰুদ্ধে ভাৰত চৰকাৰৰ পক্ষ লৈছে আফগানিস্তানৰ শাসকীয় দল তালিবানে। বৃহস্পতিবাৰে তালিবান চৰকাৰৰ ভাৰপ্ৰাপ্ত বৈদেশিক মন্ত্ৰী আমীৰ খান মুট্টাকিৰ সৈতে প্ৰথমবাৰৰ বাবে ফৌনিক বাৰ্তালাপ কৰে ভাৰতৰ বিদেশমন্ত্ৰী এছ জয়শংকৰে। এই বাৰ্তালাপ সন্দৰ্ভত জয়শংকৰে এক্সত লিখিছে, "তালিবানৰ বৈদেশিক মন্ত্ৰী আমীৰ খান মুট্টাকিৰ সৈতে সুন্দৰ আলোচনা হ'ল। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণক তীব্ৰ নিন্দা কৰাৰ বাবে তেওঁৰ প্ৰতি গভীৰ কৃতজ্ঞতা প্ৰকাশ কৰিছো।" তেওঁ আৰু লিখিছে, "ভাৰত আৰু আফগানিস্তানৰ মাজত সন্দেহৰ পৰিৱেশ সৃষ্টিৰ বাবে শেহতীয়াকৈ কৰা ভিত্তিহীন প্ৰচেষ্টাক দৃঢ়ভাৱে নাকচ কৰাৰ ক্ষেত্ৰত তেওঁৰ ভূমিকাক আমি আদৰণি জনাইছো।" উল্লেখ্য যে শেহতীয়াকৈ পাকিস্তানী সংবাদ মাধ্যমে দাবী কৰিছিল যে ভাৰতে তালিবানৰ সৈতে মিলি 'পেহেলগাম আক্ৰমণ' সংঘটিত কৰিছে। বৈদেশিক মন্ত্ৰী এছ জয়শংকৰে নাম উল্লেখ নকৰাকৈ তেওঁৰ মন্তব্যৰে পাকিস্তানৰ এই দাবীৰ প্ৰত্যুত্তৰ দিয়ে। ইফালে, এই আলোচনাত জয়শংকৰে আফগান জনসাধাৰণৰ পুৰণি বন্ধুত্ব আৰু উন্নয়নমূলক সহযোগিতাৰ প্ৰতি ভাৰতৰ দায়বদ্ধতা পুনৰ উল্লেখ কৰে। তেওঁ কয় যে আফগান জনসাধাৰণৰ উন্নয়নৰ বাবে ভাৰতৰ সমৰ্থন আগৰ দৰেই চলি থাকিব। লক্ষণীয়ভাৱে, এই আলোচনাৰ প্ৰসংগও গুৰুত্বপূৰ্ণ। শেহতীয়াকৈ ভাৰতৰ বিশেষ দূত আনন্দ প্ৰকাশে কাবুলত তালিবান চৰকাৰৰ সৈতে সাক্ষাৎ কৰে। তাত দুয়োখন দেশৰ ৰাজনৈতিক সম্পৰ্ক শক্তিশালী কৰা, বাণিজ্য আৰু ট্ৰেনজিট সহযোগিতা বৃদ্ধিৰ উপায়, শেহতীয়া আঞ্চলিক পৰিস্থিতিৰ ওপৰত আলোচনা কৰা হয়। পেহেলগাম আক্ৰমণৰ পিছত ভাৰত আৰু পাকিস্তান দুয়োখন দেশে সীমান্তত সামৰিক অভিযান সাময়িকভাৱে বন্ধ কৰিবলৈ সন্মত হয়। কিন্তু ইয়াৰ পূৰ্বে ভাৰতে অপৰেচন সেন্দূৰৰ জৰিয়তে পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰত ৯ টাকৈ সন্ত্ৰাসবাদী ঘাটি ধ্বংস কৰিবলৈ সক্ষম হয়। আফগানিস্তানে ভাৰতৰ এই সন্ত্ৰাসবাদ বিৰোধী পদক্ষেপলৈ সমৰ্থন জাহিৰ কৰে। মন কৰিবলগীয়া যে ২০২১ চনত কাবুলত তালিবানে ক্ষমতা দখল কৰাৰ পিছত তালিবানৰ সৈতে হোৱা এই আলোচনা হৈছে প্ৰথমটো ৰাজনৈতিক পৰ্যায়ৰ যোগাযোগ। ইয়াৰ পূৰ্বে জানুৱাৰী মাহত ডুবাইত ভাৰতৰ বৈদেশিক সচিব বিক্ৰম মিশ্ৰীৰ সৈতে মুট্টাকিৰ সাক্ষাৎ হৈছিল। ইয়াৰ পূৰ্বে ৰাজনৈতিক পৰ্যায়ৰ যোগাযোগ ১৯৯৯-২০০০ চনত হৈছিল, যেতিয়া ভাৰতৰ তেতিয়াৰ বৈদেশিক মন্ত্ৰী যশৱন্ত সিঙে তালিবান নেতা ৰাকিল আহমেদ মুট্টাকিলৰ সৈতে আইচি-৮১৪ বিমান অপহৰণৰ বিষয়ত যোগাযোগ কৰিছিল।

# জীতেন গগৈয়ে এৰিলে লুৰীণক, হিমাংশুৱে এৰিলে অখিলক

**ই-সংবাদ, ১৬ মে':** পঞ্চায়ত নিৰ্বাচনত অসমত নতুনকৈ গঠিত দুটাকৈ দলত খহনীয়া আৰম্ভ হৈছে। আজি বোকাখাতৰ প্ৰাক্তন বিধায়ক জীতেন গগৈয়ে অসম জাতীয় পৰিষদ ত্যাগ কৰাৰ লগতে ৰাইজৰ দল ত্যাগ কৰিছে হিমাংশু গগৈয়ে। পঞ্চায়ত নিৰ্বাচনৰ ফলাফল উন্নত নোহোৱাৰ বাবে জীতেন গগৈ আৰু হিমাংশু গগৈয়ে দলত্যাগ কৰিছে বুলি অনুমান কৰা হৈছে। হিমাংশু গগৈ অখিল গগৈৰ ঘনিষ্ঠ নেতা আছিল। ৰাইজৰ দলৰ প্ৰভাৱশালী নেতা তথা সহকাৰী সাধাৰণ সম্পাদক হিমাংশু। হঠাতে দলত্যাগ কৰাত আচৰিত হৈছে একাংশ নেতা।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

প্ৰথম পৃষ্ঠাৰ পৰা...

# পদৰ পৰা অপসাৰিত মন্ত্ৰী জয়ন্তৰ ঘনিষ্ঠ

কৰিলে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই। এইবাৰ নলবাৰীৰ বাঁহজানী মণ্ডল কাৰ্যালয় উদ্বোধনৰ সময়ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী তথা নলবাৰীৰ বিধায়ক জয়ন্তমল্ল বৰুৱাৰ উপস্থিতিত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াক কাৰ্যালয়ত প্ৰৱেশত বাধা দিয়া মিণ্টু তামুলীক মণ্ডল সভাপতি পদৰ পৰা আঁতৰাইছে ৰাজ্যিক সমিতিয়ে। বাঁহজানী মণ্ডলৰ সভাপতি মিণ্টুৱে অভদ্ৰামি কৰাত দিলীপ শইকীয়াই ধমক দি পদবীৰ পৰা সোনকালে আঁতৰ কৰিবলৈ নিৰ্দেশ দিছিল। সেয়াও আছিল পহিলা ব'হাগৰ দিনটোত। তাৰ পিছতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। প্ৰায় এমাহ পিছত আজি ৰাজ্যিক বিজেপিয়ে এক নিৰ্দেশনমা যোগে মিণ্টুক পদৰ পৰা আঁতৰ কৰাৰ কথা ৰাজহুৱা কৰিছে। মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ ঘনিষ্ঠ মিণ্টু তামুলীৰ ঠাইত বাঁহজানী মণ্ডল বিজেপিৰ সভাপতি হিচাপে দায়িত্ব দিয়া হৈছে চপলা মেধি ৰাজবংশীক। ১৫ এপ্ৰিল ২০২৫ ত বাঁহজানী মণ্ডল বিজেপিৰ কাৰ্যালয় উদ্বোধনী অনুষ্ঠানত এইগৰাকী মিণ্টু তামুলীয়ে একপ্ৰকাৰ অপমান কৰিছিল ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াক। এই কথাক লৈ সভাপতি দিলীপ শইকীয়াই মুখ্যমন্ত্ৰী আৰু স্থানীয় বিধায়ক তথা কেবিনেট মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ সন্মুখতে মিণ্টু তামুলীক ধমক দি পদৰ পৰা আঁতৰাই দিব লাগে বুলি মন্তব্য কৰিছিল। এই ঘটনাৰ সম্পূৰ্ণ এমাহ পিছত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই নিজৰ মুখৰ কথা ৰাখিলে। অপসাৰণ কৰা হ'ল মিণ্টু তামুলীক। মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ অতি ঘনিষ্ঠ বুলি পৰিচিত তামুলীয়ে আনকি দলৰ ৰাজ্যিক সভাপতিক অপমান কৰিও নলবাৰী বিজেপিত দপদপাই আছিল। কিন্তু তামুলীক মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই সুৰক্ষা দিব নোৱাৰিলে। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই তামুলীক পদৰ পৰা অপসাৰণ কৰি দলীয় অনুশাসন ভংগ কৰা নেতা-কৰ্মীসকলৰ প্ৰতি কঠোৰ সকীয়নি দিয়া বুলি ৰাজনৈতিক মহলত চৰ্চা চলিছে। বাঁহজানী মণ্ডল বিজেপিৰ কাৰ্যালয় উদ্বোধনী অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া আৰু ৰাষ্ট্ৰীয় নেতা হৰিশ দ্বিবেদী অলপ পলমকৈ উপস্থিত হৈছিল। ইয়াৰ বাবে দলৰ ৰাজ্যিক সভাপতি তথা ৰাষ্ট্ৰীয় নেতাগৰাকীক কাৰ্যালয়ত প্ৰৱেশত একপ্ৰকাৰ বাধা দিছিল তামুলী আৰু তেওঁৰ একাংশ সমৰ্থকে। যি কথাত বাৰুকৈয়ে ক্ষুণ্ণ হৈ পৰিছিল ৰাজ্যিক সভাপতি দিলীপ শইকীয়া। মিণ্টু তামুলীৰ পূৰ্বে ফেব্ৰুৱাৰী মাহত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ বোকাখাতৰ যুৱ বিজেপি নেতা আকাশ ফুকনক সকলো পদৰ পৰা আঁতৰ কৰিছিল দিলীপ শইকীয়াই। কথাই কথাই মুখ্যমন্ত্ৰীৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক থকা বুলি দাবী কৰা ফুকনক '২৬ৰ বিধানসভা নিৰ্বাচনৰ দেৰগাঁৱৰ সম্ভাব্য প্ৰাৰ্থী হিচাপে জহাই ফুৰা আকাশ ফুকনে পুৰণি বিজেপিৰ কৰ্মীক প্ৰহাৰ কৰাত সকলো পদবীৰ পৰা অব্যাহতি দিয়া হয়।

# আটাইকেইখন আসনতে অকলেই নিৰ্বাচন খেলিব ইউপিপিএলেঃ প্ৰমোদ বড়ো

**ই-সংবাদ, ওদালগুৰি, ১৬ মে':** আজি ওদালগুৰিৰ ভৈৰৱকুণ্ডস্থিত ধনশ্ৰী ৰিজ'ৰ্ট চৌহদত অনুষ্ঠিত হৈ যায় ইউপিপিএল দলৰ এক বিশেষ প্ৰশিক্ষণ শিবিৰ। উক্ত শিবিৰত উপস্থিত থাকে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো। বড়োৱে উপস্থিত প্ৰশিক্ষাৰ্থীসকলক উদ্দেশ্যে ভাষণ প্ৰদান কৰে। ইয়াৰ পিছত সাংবাদিকৰে সৈতে হোৱা সাক্ষাৎকাৰত প্ৰমোদ বড়োৱে কয়, "প্ৰতিটো ৰাজনৈতিক দলে নিজৰ নিজৰ কথা চিন্তা কৰিব। যিদৰে বিজেপিয়ে নিজৰ কথা চিন্তা কৰি বিটিচিত কাম কৰি আছে একেদৰে ইউপিপিএলেও নিজৰ কথা চিন্তা কৰি কাম কৰি আছ। যিহেতু কেন্দ্ৰ, ৰাজ্য আৰু বিটিচিত আমাৰ মিলিত চৰকাৰ আছে, গতিকে বিটিচি নিৰ্বাচনৰ পূৰ্বেও আমি আলোচনা কৰিম। আমি বিটিচিৰ ৪০ টা সমষ্টিতে নিৰ্বাচন খেলিম। কিন্তু ক'ত কেনেকৈ খেলিম সেয়া আলোচনাৰ মাজেৰে খেলিম। বিটিচিৰ ৪০ টা সমষ্টিৰ ৪৪৫ টা প্ৰাইমাৰীত ইউপিপিএলৰ ৩,২০০ টা বুথ আছে। সেই বুথসমূহত আমিও কাম কৰি আছো, আন দলেও কাম কৰি আছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীৰে আলোচনা কৰি ক'ত কেনেদৰে সুবিধাজনক হ'ব সেইমৰ্মে নিৰ্বাচন খেলিম। অহা নিৰ্বাচনত কিমান আসন পাম সেয়া নকওঁ, কিন্তু যোৱা চাৰে চাৰি বছৰত ৰাইজৰ হৈ কাম কৰি আহিছো। যোৱা বিপিএফ কাৰ্যকালৰ ১৭ বছৰৰ সৈতে আমাৰ চাৰে চাৰি বছৰ তুলনা কৰিলে আকাশ-পাতাল হ'ব। যি ধৰণে আমি সৰ্বাংগীণ উন্নয়নৰ বাবে কাম কৰি আহিছো। মই ভাবো দুগৰাকীমান বিৰোধীক বাদ দি সকলো সুখী।" বৰ্তমান ইউপিপিএলৰ বাবে কোনো এটা সমষ্টিয়েই প্ৰত্যাহ্বান নহয় বুলি উল্লেখ কৰি কয়, "বিটিচিৰ হাগ্ৰামা মহিলাৰীয়ে জয়ী হৈ অহা দেৱৰগাঁও সমষ্টিতে এইবাৰ হাজাৰ হাজাৰ লোকে ইউপিপিএলত যোগদান কৰিছে। আনকি তেওঁলোকৰ দলৰ নেতাসকলেও আমাৰ দলত যোগদান কৰিছে। গতিকে সেই সময়ত উক্ত সমষ্টিটোৰ লগতে আটাইকেইটা সমষ্টিৰ কোনোটোতেই আমাৰ প্ৰত্যাহ্বান নাই। হাগ্ৰামা মহিলাৰীয়ে প্ৰতিটো নিৰ্বাচনতে বিপিএফ দল জিকিব বুলি উল্লেখ কৰি অহাৰ পিছতো লোকসভাৰ লগতে বিধানসভাৰ উপ-ৰ্বাচনসমূহত আমি ইউপিপিএলেই জিকিবলৈ সক্ষম হৈছো। ৰাজনীতি কৰিবলৈ অহা প্ৰতিজন ব্যক্তিয়েই নিৰ্বাচনত জয়ী হোৱাৰ সপোন দেখে। কিন্তু হাগ্ৰামাৰ দৰে ব্যক্তি এজনে মূল্য নোহোৱা কথা কোৱাটো একো লাভ নাই।" ইফালে বিটিচিৰ আগন্তুক পৰিকল্পনা সন্দৰ্ভত উল্লেখ কৰি বড়োৱে কয়, "বিটিচিৰ এতিয়া পূৰ্বৰ সেই পৰিৱেশ নাই। বিটিচিলৈ ৩৬ হাজাৰ কোটি টকা বিনিয়োগৰ বাবে বিনিয়োগকাৰী আগবাঢ়ি আহিছে। গতিকে উক্ত বাণিজ্যিক ব্যৱস্থাৰ মাজেৰে আমাৰ হাজাৰ হাজাৰ নিৱনুৱা সংস্থাপিত হব। গতিকে বিটিআৰত বাস কৰা প্ৰতিটো জনগোষ্ঠীৰ সম-বিকাশ আৰু সম-উন্নয়নৰ বাবে আমি কাম কৰি আহিছো।" মন কৰিবলগীয়া বিষয় যে যোৱা পঞ্চায়ত নিৰ্বাচনত লাভ কৰা অভূতপূৰ্ব সফলতাৰ পিছত বিজেপি দলৰ পৰৱৰ্তী লক্ষ্য বিটিচি নিৰ্বাচন। তেনে ক্ষেত্ৰত বিজেপিৰ স্থিতিৰ সমানে ইউপিপিএল দলে যদিও সমানে নিৰ্বাচনকেন্দ্ৰিক তৎপৰতা দেখুৱাইছে সেয়া বৰ্তমানৰ দুযোটা মিত্ৰদলৰ আলোচনাৰ পিছত লোৱা সিদ্ধান্ততহে স্পষ্ট হৈ পৰিব। ইয়াৰা বাবে আৰু কিছুদিন বাট চাব লাগিব ৰাজনৈতিক মহলে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# প্ৰতিৰক্ষা বাজেটত যোগ হ'ব পাৰে ৫০ হাজাৰ কোটি টকা

## দেশৰ সুৰক্ষাৰ সৈতে আপোচ নহয়!

নতুন দিল্লী, ১৬ মে': অপাৰেচন সেন্দুৰৰ ফলত ভাৰতৰ প্ৰতিৰক্ষা বাজেটত আবণ্টিত হ'ব পাৰে ৫০ হাজাৰ কোটিতকৈয়ো অধিক টকা। চৰকাৰী সূত্ৰই সংবাদমাধ্যমক জনোৱা মতে, পৰিপূৰক বাজেটৰ জৰিয়তে প্ৰদান কৰা এই ধনৰাশিয়ে সামগ্ৰিকভাৱে প্ৰতিৰক্ষা আবণ্টন ৭ লাখ কোটি টকা অতিক্ৰম কৰিব। ১ ফেব্ৰুৱাৰীত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে দাখিল কৰা ২০২৫-২৬ বৰ্ষৰ বাজেটত সশস্ত্ৰ বাহিনীৰ বাবে অভিলেখসংখ্যক ৬.৮১ লাখ কোটি টকা আবণ্টন কৰা হৈছিল। ২০২৪-২৫ চনত ৬.২২ লাখ কোটি টকাৰ তুলনাত ইতিমধ্যে এইবাৰৰ আবণ্টন ৯.২ শতাংশ বৃদ্ধি পাইছে।জানিব পৰা মতে বৰ্ধিত বাজেটৰ অনুমোদন সংসদৰ শীতকালীন অধিবেশনত বিচৰা হ'ব। গৱেষণা আৰু উন্নয়ন আৰু অস্ত্ৰ-শস্ত্ৰ, গোলাবাৰুদ আৰু অন্যান্য প্ৰয়োজনীয় সঁজুলি ক্ৰয়ৰ বাবে এই ধনৰাশি ব্যৱহাৰ কৰা হ'ব পাৰে। বৰ্তমানৰ আবণ্টন সকলো মন্ত্ৰালয়ৰ ভিতৰত সৰ্বাধিক আৰু মুঠ বাজেটৰ ১৩ শতাংশ। বিশেষকৈ ২২ এপ্ৰিলৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত পাকিস্তানৰ সৈতে উত্তেজনা অব্যাহত থকাৰ সময়তে ভাৰতৰ প্ৰতিৰক্ষা প্ৰস্তুতি শক্তিশালী হৈছে আৰু এই পৰিপ্ৰেক্ষিতত বাজেট বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। শেহতীয়াকৈ ইজৰাইলৰ বিখ্যাত 'আইৰন ড'ম'ৰ সৈতে তুলনা কৰিব পৰা উন্নত বায়ু প্ৰতিৰক্ষা ব্যৱস্থা, কৌশলগত চতুৰতা, আকাশ ক্ষেপণাস্ত্ৰ প্ৰতিৰক্ষা ব্যৱস্থাকে ধৰি ঘৰতে উৎপাদিত উপাদানসমূহৰ ওপৰতো চৰ্চা হৈছে। ইতিমধ্যে সশস্ত্ৰ বাহিনীয়ে ভাৰ্গৱাস্ত্ৰ - 'হাৰ্ড কিল' মোডত নতুন, কম খৰচী, কাউণ্টাৰ ড্ৰ'ন ব্যৱস্থাও পৰীক্ষা কৰিছে। এই ব্যৱস্থাত ব্যৱহৃত মাইক্ৰ' ৰকেটসমূহ এই সপ্তাহতে ওড়িশাৰ গোপালপুৰৰ ছিৰাৰ্ড ফায়াৰিং ৰেঞ্জত সফলতাৰে পৰীক্ষা কৰা হয়। ১০০ ঘণ্টীয়া ভাৰত-পাক 'যুদ্ধ'ৰ পাছত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰতিৰক্ষা সঁজুলিৰ অধিক ঘৰুৱা উৎপাদনৰ বাবে হেঁচা দিছিল আৰু এইটোৱেই দীৰ্ঘম্যাদী সমাধান বুলি যুক্তি দৰ্শাইছিল।



ইস্তানবুলৰ ডলমাবাহচে ৰাজপ্ৰসাদত আলোচনাত অংশগ্ৰহণ ৰাছিয়া আৰু ইউক্ৰেইনৰ। ফটো, শুকুৰবাৰৰ

# গাজাত ইজৰাইলৰ আক্ৰমণ অব্যাহত, ৮২ জন লোক নিহত

**গাজা, ১৬ মে':** গাজাত ইজৰাইলৰ শেহতীয়া আক্ৰমণত কমেও ৮২ জন লোক নিহত হয়। বৃহস্পতিবাৰে নিশাৰপৰা শুকুৰবাৰে পুৱা পৰ্যন্ত ডেইৰ আল-বালাহৰ উপকণ্ঠৰ অঞ্চল আৰু খান ইউনিছ চহৰকে ধৰি সমগ্ৰ গাজাত ষ্ট্ৰাইক চলায় ইজৰাইলে। কমেও ৮২ জন লোকৰ মৃত্যুৰ খবৰ পোৱা গৈছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে গাল্ফ ৰাষ্ট্ৰখনৰ ভ্ৰমণ সমাপ্ত কৰাৰ সময়তে এই ব্যাপক আক্ৰমণ সংঘটিত হয়। তেওঁৰ ভ্ৰমণে গাজাত যুদ্ধবিৰতি চুক্তি বা মানৱীয় সাহায্যৰ নবীকৰণৰ সূচনা কৰিব পাৰে বুলি আশা কৰা হৈছিল। ইজৰাইলে বিগত তিনিমাহে এই ভূখণ্ডত আত্ৰমণ চলাই আছে। ভ্ৰমণৰ অন্তিম দিনটোত আবুধাবিত অনুষ্ঠিত হোৱা ব্যৱসায়িক মঞ্চত সাংবাদিকৰ সৈতে হোৱা এক সাক্ষাৎকাৰত ট্ৰাম্পে কয় যে তেওঁ গাজাকে ধৰি বিশ্বৰ একাধিক সংকটৰ সমাধান বিচাৰিছে।' শুকুৰবাৰে ইজৰাইলে কয় যে গাজাত উগ্ৰপন্থীৰ বিৰুদ্ধে অভিযান অব্যাহত আছে আৰু বিগত দিনটোত টেংক বিৰোধী মিছাইল পোষ্ট আৰু সামৰিক কাঠামোকে ধৰি ১৫০টা লক্ষ্যত আঘাত হানিছে। উত্তৰ গাজাত ইজৰাইলে এটা পৰ্যবেক্ষণ চৌহদত কাম কৰি থকা কেইবাজনো উগ্ৰপন্থীক নিৰ্মূল কৰা বুলিও কোৱা হৈছে। আজি পুৱা পৰ্যন্ত ঘণ্টাৰ পিছত ঘণ্টা ধৰি চলি থকা এই আক্ৰমণৰ ফলত জাবালি শৰণাৰ্থী শিবিৰ আৰু বেইট লাহিয়া চহৰৰ পৰা পলায়ন কৰে। ইয়াৰ পূৰ্বেও একেধৰণৰ আক্ৰমণত ১৩০ জন নিহত হৈছিল।

# কেইটামান নেমুৰ বাবেই উদয়পুৰত লাগিল সাম্প্ৰদায়িক সংঘৰ্ষ

**জয়পুৰ, ১৬ মে':** ৰাজস্থানৰ উদয়পুৰত এটা সৰু বিবাদ সাম্প্ৰদায়িক সংঘৰ্ষলৈ পৰিণত হয় আৰু এজন শাক-পাচলি বিক্ৰেতা গুৰুতৰভাৱে আহত হয়। উদয়পুৰৰ ধনমন্দি অঞ্চলত বৃহস্পতিবাৰে সন্ধিয়া এই ঘটনা সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে জনোৱা মতে, তীজ কা চ'কৰ সমীপৰ এখন শাক-পাচলিৰ দোকানত নেমু কিনাক লৈ দুজন লোকৰ মাজত হোৱা মৌখিক যুদ্ধ সাম্প্ৰদায়িক সংঘৰ্ষলৈ পৰিণত হয়। আৰক্ষী অধীক্ষক যোগেশ গোৱেলে কয় যে পাঁচৰ পৰা সাতজনীয়া এটা দলে শাক-পাচলি বিক্ৰেতা সতবীৰক চোকা অস্ত্ৰৰে আক্ৰমণ কৰাৰ ফলত তেওঁ মুখত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। পথৰ কাষৰ দুটা জুপুৰি আৰু শাক-পাচলিৰ ঠেলাত জুই লগাত উত্তেজনা অধিক বৃদ্ধি পায়। পাছত ওচৰৰ চাৰিটা ষ্টেচনৰ আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। শান্তি বজাই ৰাখিবলৈ স্পৰ্শকাতৰ অঞ্চলত অতিৰিক্ত বাহিনী মোতায়েন কৰা হৈছে।

# ছলমান ৰুছডিৰ আক্ৰমণকাৰীক ২৫ বছৰৰ কাৰাদণ্ড

**নিউয়ৰ্ক, , ১৬ মে':** প্ৰখ্যাত লেখক ছলমান ৰুছডীক ছুৰীৰে আঘাত কৰা আক্ৰমণকাৰীক ২৫ বছৰৰ কাৰাদণ্ড বিহা হৈছে। ২০২২ চনত নিউয়ৰ্কৰ বক্তৃতা মঞ্চত বঁটা বিজয়ী লেখকজনক কৰা আক্ৰমণৰ ফলত তেওঁ এটা চকুৰ দৃষ্টিশক্তি হেৰুৱাই পেলাইছিল। এই অপৰাধত যোৱা ফেব্ৰুৱাৰী মাহত হাদি মাটাৰ নামৰ ২৭ বছৰীয়া লোকজনক হত্যাৰ চেষ্টা আৰু আক্ৰমণৰ গোচৰত দোষী সাব্যস্ত কৰা হৈছিল। উল্লেখ্য, এই আক্ৰমণৰ পাছত ৰুছডিয়ে ১৭ দিন পেনচিলভেনিয়াৰ এখন চিকিৎসালয়ত আৰু তিনি সপ্তাহতকৈ অধিক সময় নিউয়ৰ্ক চহৰৰ পুনৰ্বাসন কেন্দ্ৰত কটাবলগীয়া হৈছিল। "মিডনাইটছ চিলড্ৰেনছ", "দ্য মুৰছ লাষ্ট চিগ" আৰু "ভিক্টোৰী চিটি"ৰ লেখকজনে ২০২৪ চনত প্ৰকাশিত তেওঁৰ গ্ৰন্থ "নাইফ"ত তেওঁৰ আৰোগ্যৰ বিষয়ে বিতংভাৱে উল্লেখ কৰিছে।

# টয়লেট ছিটৰ বিস্ফোৰণ ঘটি আহত হ'ল নয়দাৰ যুৱক

**নয়দা, ১৬ মে':** শনিবাৰে গ্ৰেটাৰ নয়ডাৰ ছেক্টৰ ৩৬ৰ এটা ঘৰত পশ্চিমীয়া ষ্টাইলৰ টয়লেট চিটৰ বিস্ফোৰণ ঘটি এজন ২০ বছৰীয়া যুৱক বেয়াকৈ আহত হয়। ঘৰৰ মালিক সুনীল প্ৰধানে কয় যে তেওঁৰ পুত্ৰ আশু বাথৰুমলৈ গৈছিল। তেওঁ কয় যে পুতেকে ফ্লাছটো টিপি দিয়াৰ লগে লগে হঠাতে টয়লেটটোত এটা ডাঙৰ শব্দৰে বিস্ফোৰণ ঘটি জুই লাগে। যুৱকজনৰ মুখ আৰু শৰীৰৰ ৩৫ শতাংশ অগ্নিদগ্ধ হোৱা বুলি জানিব পৰা গৈছে। সন্দেহ কৰা মতে নলা বন্ধ হোৱাৰ বাবে টয়লেটৰ চিটত মিথেন গেছ জমা হৈ আছিল।

# কাশ্মীৰত চাৰিদিনত ৬ টা সন্ত্ৰাসবাদী ধৰাশায়ী

শ্ৰীনগৰ, ১৬ মে': ২২ এপ্ৰিলত পেহেলগামত সংঘটিত হোৱা মাৰাত্মক সন্ত্ৰাসবাদী আক্ৰমণৰ পাছতে জম্মু-কাশ্মীৰত নিৰাপত্তা বাহিনীয়ে সন্ত্ৰাস বিৰোধী প্ৰচেষ্টা তীব্ৰতৰ কৰি তুলিছে। যোৱা তিনিদিনত সমগ্ৰ কাশ্মীৰ উপত্যকাত পৃথক পৃথক সংঘৰ্ষত ছয় অস্ত্ৰধাৰী সন্ত্ৰাসবাদী নিহত হয়। এক সংবাদমেলত সেনাবাহিনীৰ ভিক্টৰ ফৰ্চৰ জেনেৰেল অফিচাৰ কমাণ্ডিং মেজৰ জেনেৰেল ধনঞ্জয় যোশীয়ে প্ৰকাশ কৰে যে শেহতীয়াকৈ দক্ষিণ কাশ্মীৰত দুটা বৃহৎ অভিযান আৰম্ভ কৰা হৈছে। পুলৱামা জিলাৰ ছোপিয়ান আৰু ট্ৰালৰ কেল্লাৰ অঞ্চলত সেনা, চিআৰপিএফ আৰু জম্মু-কাশ্মীৰ আৰক্ষীৰ যুটীয়া দলে সমন্বিত অভিযান চলাইছিল বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ এই সফলতাৰ কৃতিত্ব বিভিন্ন নিৰাপত্তা সংস্থাসমূহৰ মাজত হোৱা নিৰৱচ্ছিন্ন সহযোগিতা আৰু পৰিকল্পনাক বুলি কয়। তেওঁ লগতে কয়, 'আমাৰ বাহিনীৰ মাজত শক্তিশালী সহযোগিতাৰ জৰিয়তেহে এনে ফলাফল সম্ভৱ। চোৱাংচোৱাই অঞ্চলটোত সন্ত্ৰাসবাদীৰ উপস্থিতিৰ কথা প্ৰকাশ কৰাৰ পাছতে ১২ মে'ৰ পৰা অভিযান আৰম্ভ হৈছিল।

# অসম আন্দোলন আৰু অসম গণ পৰিষদৰ নেতা কিৰণ গগৈৰ দেহাৱসান

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৬ মে':** ডিব্ৰুগড় জিলাৰ মদাৰখাত মৌজাৰ অন্তৰ্গত নাহৰ সাঁকো গাঁৱৰ নিবাসী বৰ্তমান লাহোৱাল চাংমাই গাঁৱৰ বাসিন্দা অসম আন্দোলনৰ নেতা, বেলবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক কিৰণ গগৈ বৃক্কজনিত ৰোগত আক্ৰান্ত হৈ আজি লাহোৱালৰ নিজ বাসগৃহত মৃত্যু হয়। মৃত্যু সময়ত তেখেতৰ বয়স হৈছিল ৬৯ বছৰ। অসম আন্দোলনত বৃহত্তৰ মদাৰখাত মৌজাৰ লগতে ডিব্ৰুগড় জিলাখনৰ এগৰাকী সক্ৰিয় কৰ্মী হিচাপে অংশগ্ৰহণ কৰাৰ লগতে গ্ৰেপ্তাৰবৰণ হৈ কাৰাবাস খাটিবলগীয়া হৈছিল। পৰবৰ্তী সময়ত অসম গণ পৰিষদ দলৰ সৈতেও জড়িত কিৰণ গগৈ মদাৰখাতৰ প্ৰতিটো অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত আছিল। বেলবাৰী উচ্চ ইংৰাজী বৰ্তমান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ২০১৬ চনত অৱসৰ গ্ৰহণ কৰাৰ পিছত এগৰাকী সমাজকৰ্মী হিচাপে জড়িত হৈ সেৱা আগবঢ়াই আছিল। কিছুদিন ধৰি বৃক্ক ৰোগত আক্ৰান্ত হৈ চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল আৰু আজি দিনৰ ভাগত নিজা বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁ মৃত্যুৰ সময়ত পত্নী, দুই পুত্ৰকে ধৰি বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়। শিক্ষক, সমাজকৰ্মী কিৰণ গগৈৰ মৃত্যুত অসম গণ পৰিষদৰ নেতা তথা চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই গভীৰ শোক প্ৰকাশ কৰিছে আৰু শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে। সদৌ অসম ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ বিদ্যুৎ সাগৰ দত্ত, লাহোৱাল আঞ্চলিক সমিতি, মদাৰখাত এছ আৰ চি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সংস্থাৰ হৈ ভূপেন কুমাৰ গগৈ, মদাৰখাত ক্ৰীড়া সন্থা, নাহৰসাঁকো লাচিত বৰফুকন সংঘ, লাহোৱাল প্ৰেছ ক্লাবৰ সভাপতি হোমেন ফুকন, সম্পাদক দিবাকৰ দত্ত, শ্ৰীশ্ৰী মায়ামৰা মদাৰখাত সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী বৈষ্ণৱানন্দ গোস্বামী, অসম গণ পৰিষদৰ নেতা বিনোদ বুঢ়াগোহাঁই প্ৰমুখ্যে বিভিন্ন দল-সংগঠনৰ ব্যক্তিয়ে কিৰণ গগৈৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে। আজি তেওঁৰ পৈতৃক গৃহ নাহৰসাঁকো গাঁৱত অসংখ্য গুণমুগ্ধৰ উপস্থিতিত মায়ামৰা ধৰ্মীয় ৰীতি-নীতি, গায়ন-বায়নে শেষকৃত্য সম্পন্ন কৰা হয়।

# বিশিষ্ট অভিনেতা, পৰিচালক সমাজকৰ্মী যতীন বৰঠাকুৰৰ জীৱনাৱসান

**ই-সংবাদ, বেৰেজীয়া, ১৬ মে':** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত গেদাৰবড়ি নিবাসী বিশিষ্ট অভিনেতা, অসম আন্দোলনৰ অগ্ৰণী কৰ্মী, অগপ নেতা, সমাজকৰ্মী তথা শিলঘাট মৰাপাট কলৰ প্ৰাক্তন শ্ৰম বিষয়া যতীন বৰঠাকুৰৰ বৃহস্পতিবাৰে জীৱনাৱসান ঘটে । জানিব পৰা মতে, বিগত কিছুদিনৰ পৰা শাৰীৰিক অসুস্থতাত ভুগি থকা বৰঠাকুৰে পুৱা শোৱাৰ পৰা উঠাৰ কিছু সময়ৰ পিছতে হঠাতে উশাহ-নিশাহত কষ্ট অনুভৱ কৰাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৩ বছৰ। বৃহত্তৰ হাতীচোং অঞ্চলৰ প্ৰথমগৰাকী বোলছবি অভিনেতা হোৱাৰ সৌভাগ্য ঘটা বৰঠাকুৰে জনপ্ৰিয় অসমীয়া চলচ্চিত্ৰ 'শকুন্তলা আৰু শংকৰ যোচেফ আলি'ত সুন্দৰ অভিনয় কৰাৰ সমান্তৰালভাৱে বিভিন্ন প্ৰান্তত বলিষ্ঠ অভিনয়ৰ জৰিয়তে ৰাইজৰ প্ৰশংসা বোটোলাৰ লগতে বহুবাৰ পুৰস্কৃত হৈছিল। নগাঁৱৰ অভিনয় ক্ষেত্ৰখনৰ এক চিনাকি নাম হৈ পৰা বৰঠাকুৰে বহু বছৰ ধৰি পাঠৰি দুৰ্গোৎসৱৰ অষ্টমী আৰু নৱমীত মঞ্চস্থ হোৱা নাটকৰ লগতে স্থানীয় অঞ্চলত নাট আৰু ভাওনা পৰিচালনা কৰি পৰিচালক হিচাপেও দক্ষতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। তদুপৰি বহু ঠাইত নৱ প্ৰজন্মক নাট্যাভিনয়ৰ প্ৰশিক্ষণো প্ৰদান কৰি সাংস্কৃতিক ক্ষেত্ৰখনলৈ যথেষ্ট অৱদান আগবঢ়াই থৈ যোৱা বৰঠাকুৰে শিলঘাট মৰাপাট কলত শ্ৰম বিষয়া ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল যদিও চাকৰি কাল সমাপ্ত নকৰি আধাতে ঘৰলৈ ঘূৰি আহি সাংস্কৃতিক, সামাজিক আৰু ৰাজনৈতিক জগতখনত সক্ৰিয়ভাৱে জড়িত হৈ পৰিছিল। অসম আন্দোলনৰৰ অগ্ৰনী কৰ্মী বৰঠাকুৰে অগপ দলৰ সাংগঠনিক দায়িত্ব লৈ দলীয় কাম-কাজ সুচাৰুৰূপে পালন কৰিছিল। সেইদৰে স্থানীয় অঞ্চলৰ ঐতিহাসিক মাধৱ দেৱালয়, ২নং গেদাৰবড়ি শৰীৰ চৰ্চা কেন্দ্ৰৰ সভাপতিকে ধৰি বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠানৰ গধুৰ দায়িত্ব নিষ্ঠাৰে পালন কৰি তেওঁ সমাজৰ হকে সেৱা আগবঢ়াই আহিছিল। সৰবৰহী ব্যক্তি বৰঠাকুৰৰ বিয়োগত সমগ্ৰ হাতীচোং মৌজাতে শোকৰ ছাঁ পৰিছে । তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ পিছতে বহু লোক বাসগৃহত সমবেত হৈ নশ্বৰ দেহত শেষ শ্ৰদ্ধা নিবেদন কৰে। সৎ, অমায়িক আৰু সকলোৰে লগত সুসম্পৰ্ক বৰ্তাই ৰখা বৰঠাকুৰৰ মৃত্যুত নগাঁও জিলা অগপৰ সভাপতি মণিমাধৱ মহন্ত, অগপৰ কেন্দ্ৰীয় নেত্ৰী মামণি বৰা, হাতীচোং সাহিত্য সভা সমাজ সাংস্কৃতিক সমিতিৰ সভাপতি দেৱ কুমাৰ বৰা, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক কল্যাণ কুমাৰ বৰা, জাজৰি প্ৰেছ ক্লাবৰ সভাপতি জয়ন্ত মুদৈ, বেৰেজীয়া প্ৰেছ ক্লাব, গেদাৰবড়ি শৰীৰ চৰ্চা কেন্দ্ৰ, চকলাঘাট শাখা সাহিত্য সভা, কুকুৰাবাহী ৰাস উৎসৱ, লোকশিল্পী গুণ শইকীয়া সংগীত মহাবিদ্যালয়, সোনাইপৰীয়া শাখা কবি সন্মিলন, জংগম গোষ্ঠী, মেল'ডি নাট্য গোষ্ঠী, মাধৱ দেৱালয় পৰিচালনা সমিতিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, এজন পুত্ৰ, এগৰাকী কন্যাকে ধৰি বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

# সাৱধান! আকৌ আহিছে আফ্ৰিকান ছোৱাইন ফ্লু!

**ই-সংবাদ, বৰপেটাৰোড, ১৬ মে':** সৰুক্ষেত্ৰী উন্নয়ন ব্লকৰ অন্তৰ্গত গহিয়া গাঁৱত আফ্ৰিকান ছোৱাইন ফিভাৰ(এ এছ এফ)ৰ নিশ্চিত প্ৰাদুৰ্ভাৱৰ প্ৰতি লক্ষ্য ৰাখি বৰপেটাৰ জিলা দণ্ডাধীশ(ভাৰপ্ৰাপ্ত) দিগন্ত বৈশ্যই অসম মহামাৰী ৰোগ আইন-২০২৩ৰ ১৬ নং ধাৰাৰ অধীনত জৰুৰী নিষেধাজ্ঞা জাৰি কৰিছে। অধিক সংক্ৰমণ ৰোধ কৰিবলৈ বৰপেটা জিলাৰ সকলো বজাৰ আৰু ৰাজহুৱা স্থানত গাহৰি, গাহৰিৰ পোৱালি, গাহৰিৰ মাংস আৰু আনুষংগিক সামগ্ৰীৰ বিক্ৰী নিষিদ্ধ কৰা হৈছে। ৰাষ্ট্ৰীয় ঘাইপথৰ মাজেৰে চলাচল কৰাৰ বাহিৰে জিলাখনৰ ভিতৰত আৰু বাহিৰত গাহৰিৰ পৰিবহণ নিষিদ্ধ। জনসাধাৰণক গাহৰিৰ মৃতদেহ মুকলি পথাৰ, জলভাগ বা অন্যান্য উন্মুক্ত ঠাইত পেলোৱাত কঠোৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। পশু চিকিৎসা বা জিলা বিষয়াৰ পৰা গাহৰিৰ মৃত্যু বা এ এছ এফৰ লক্ষণৰ সৈতে জড়িত তথ্য লাভ কৰাটো শাস্তিযোগ্য অপৰাধ হিচাপে গণ্য কৰা হ'ব। ইয়াৰ উপৰি আক্ৰান্ত অঞ্চলৰ এক কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত চাৰিজন বা তাতকৈ অধিক লোকৰ সমাৱেশত বাধা আৰোপ কৰা হৈছে। পশুৰ স্বাস্থ্য ৰক্ষা আৰু বৃহত্তৰ সংকট ৰোধৰ বাবে জনসাধাৰণৰ পূৰ্ণ সমৰ্থন আহ্বান কৰিছে বৰপেটা জিলা প্ৰশাসনে। এই আদেশ উলংঘা কৰিলে আইপিচিৰ ১৮৮ নং ধাৰাত দণ্ডনীয় হ'ব।

# ছিপাঝাৰত পথ দুৰ্ঘটনাক লৈ উত্তেজনা

**ই-সংবাদ, ছিপাঝাৰ, ১৬ মে':** দৰং জিলাৰ ছিপাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত পাথৰিঘাট আউটপোষ্টৰ অধীনৰ বৰকলীয়াঝাৰত যোৱা নিশা সংঘটিত এক পথ দুৰ্ঘটনাক লৈ আজি উত্তেজিত ৰাইজে পথ অৱৰোধ কাযসূচী ৰূপায়ণ কৰে। ঘটনাৰ বিৱৰণী অনুসৰি বৃহস্পতিবাৰে নিশা চাৰে আঠ বজাত বৰকলীয়াঝাৰ নিবাসী ৰেকিবুদ্দিন আহমেদ(৩৫)ক বড়িচৌকাৰ ফালৰ পৰা অহা এখন তীব্ৰ বেগী ডিআই বাহনে মহটিয়াই লৈ যায়। সেই সময়তে পাথৰিঘাট আউটপোষ্টৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীয়ে গুৰুতৰভাৱে আহত ৰেকিবুদ্দিনক দেখা পাই পাথৰিঘাট স্বাস্থ্যকেন্দ্ৰলৈ লৈ যায় আৰু চিকিৎসাৰ ব্যৱস্থা কৰে যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। কিন্তু আদবাটতে ৰেকিবুদ্দিনে কৰুণ মৃত্যুক সাবটি লয়। ইপিনে, এই ঘটনাক লৈ আজি উত্তেজিত ৰাইজে ছিপাঝাৰ-টংলা অসম মালা পথটো অৱৰোধ কৰে। লোক নিৰ্মাণ বিভাগ আৰু ঠিকাদাৰ মতলিব আলীৰ গাফিলতিৰ বাবেই পথছোৱাত সঘনে দুৰ্ঘটনা সংঘটিত হৈ অহা বুলি গুৰুতৰ অভিযোগ কৰিছে ৰাইজে। অৱশ্যে পাথৰিঘাটৰ চক্ৰ বিষয়াগৰাকীয়ে অৱৰোধ থলীত উপস্থিত হৈ ৰাইজৰ দাবী বিবেচনা কৰাৰ আশ্বাস দিয়াত ৰাইজে অৱৰোধ উঠাই লয়। উল্লেখ্য যে, বিগত তিনি মাহত পথটোত সংঘটিত ছয়টা পথ দুৰ্ঘটনাত তিনিজন লোকে প্ৰাণ হেৰুৱাইছে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

# মন্ত্ৰীৰ ধমকত গা লৰিল ঠিকাদাৰৰ

**ই-সংবাদ, দুনী, ১৬ মে':** মন্ত্ৰী পীযুষ হাজৰিকাৰ ধমকৰ পিছতে দৰঙত তৎপৰ হৈ পৰিছে জলসম্পদ বিভাগ আৰু ঠিকাদাৰ। মঙলবাৰে জিলাখনৰ নিৰ্মীয়মাণ মথাউৰি পৰিদৰ্শন কৰি ক্ষুব্ধ হৈ পৰিছিল বিভাগীয় মন্ত্ৰীগৰাকী। মথাউৰিৰ নমুনা দেখি খঙত অগ্নি শৰ্মা হৈ পৰিছিল। মঙলদৈস্থিত জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা গৰাকীক নিলম্বনৰ নিৰ্দেশ দি ঠিকাদাৰক জে'লত ভৰোৱাৰ ভাবুকি দিছিয়ে। জলসম্পদ মন্ত্ৰীৰ আকস্মিক পৰিদৰ্শনৰ পিছতে একপ্ৰকাৰ হাহাকাৰ লাগিছে ঠিকাদাৰ আৰু জলসম্পদ বিভাগৰ। উল্লেখ্য মন্ত্ৰীগৰাকীয়ে বিভাগৰ মুখ্য অভিযন্তাক লগত লৈ জিলাখনৰ দিমিলা নৈৰ মথাউৰিৰ উপৰি মঙলদৈৰ চেৰেংঘাট গড়কাপ্তানী পথৰ পৰা নিজ ৰঙামাটিলৈকে নিৰ্মাণৰত ৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ব্ৰহ্মপুত্ৰৰ মথাউৰি পৰিদৰ্শন কৰে। দৰঙৰ পশ্চিমাঞ্চলৰ বানপানীৰ মূল উৎস হ'ল দিমীলা নদী। কিন্তু নদী খনৰ মথাউৰি নিৰ্মাণত সংঘটিত হৈছে ব্যাপক দুৰ্নীতি আৰু অনিয়ম। সাৰেঙৰ পৰা দুসুঁতি মুখ লৈ নদীখনৰ দুয়োপাৰে ১০ কিলোমিটাৰ কৈ মথাউৰি নিৰ্মাণৰ বাবে ১৭.৭০ কোটি টকা আৱণ্টন দিছিল বিভাগে। এই সম্পৰ্কে কেইবাবাৰো প্ৰকাশ পাইছিল দিমীলাৰ মথাউৰি নিৰ্মাণত সংঘটিত অনিয়মৰ বাতৰি। মন্ত্ৰীৰ পৰিদৰ্শন আৰু পদক্ষেপে প্ৰতীয়মান কৰিছে সত্যতা। উল্লেখ্য মথাউৰিত পৰ্যাপ্ত মাটি নিদিয়াৰ লগতে বালি মাটিৰে মথাউৰি নিৰ্মাণ কৰাৰ লগতে নদীৰ বুকুত মাটি কটাৰো অভিযোগ উত্থাপন কৰি আহিছিল ৰাইজে। আনকি নদীৰ বক্ষ খান্দি নিৰ্মাণ কৰিছিল মথাউৰি। প্ৰাক্কলন অনুসৰি মথাউৰি নিৰ্মাণ কৰি ৰোলাৰ চলাব লাগে। কিন্তু ঠিকাদাৰ কোনো ধৰণৰ ৰোলাৰ নচলোৱাত এজাক বৰষুণৰ পিছতে উন্মোচিত হৈছিল নিৰ্মাণ কাৰ্যৰ ফোঁপোলা স্বৰূপ। যাৰ বাবে মথাউৰিৰ স্থায়িত্ব সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰিছিল ৰাইজে। তদুপৰি হুছেইন চুবুৰী, সাৰেং আদি ঠাইত প্ৰয়োজনতকৈ মথাউৰি বহু চাপৰ কৰাৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে। ঠায়ে ঠায়ে জিঅ'টিউব নিদিয়াৰো অভিযোগ ঠিকাদাৰ নৰ তালুকদাৰ বিৰোধে। ঠিকাদাৰে নিজ মইমতালিভাবে অনিয়মেৰে কাম কৰাৰ পিছতো গুৰুত্ব দিয়া নাছিল মঙলদৈস্থিত জলসম্পদ বিভাগে। পৰিদৰ্শন কালত মন্ত্ৰী পীযুষ হাজৰিকাক ৰাইজে ঠিকাদাৰ আৰু জলসম্পদ বিভাগৰ বিৰুদ্ধে তীব্ৰ বিষোদগাৰ প্ৰকাশ কৰি অভিযোগ উত্থাপন কৰিছিল। যাৰ বাবে ৰাইজৰ সন্মুখতে মঙলদৈ সংমণ্ডলৰ কাৰ্যবাহী অভিযন্ত্ৰ কিশোৰ পাঠকক নিলম্বনৰ নিৰ্দেশ দিছিল মুখ্য অভিযন্তাক। ইফালে জলসম্পদ মন্ত্ৰীৰ পৰিদৰ্শনৰ পিছতে বুধবাৰে মথাউৰিত ৰোলাৰ চলোৱা পৰিলক্ষিত হৈছে। বোকাৰ বাবে নিৰ্মীয়মান মথাউৰিৰ যাতায়াত ব্যাহত হৈ পৰা ঠাইসমূহত শিল-বালি পেলাই ৰোলাৰ চলাই যাতায়াত সুচল কৰাৰ বাবে তৎপৰ হৈ পৰিছে ঠিকাদাৰ। ইফালে বুধবাৰৰ দিনটোতে হুছেইন চুবুৰীত মথাউৰি নিৰ্মাণৰ অনিয়মৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে একাংশ ৰাইজে।

# জাঁজী নৈৰ নিৰ্মাণাধীন দলঙত মাটি খননৰ অভিযোগ

**ই-সংবাদ, মৰিয়নি, ১৬ মে':** শিৱসাগৰ আৰু যোৰহাট জিলাৰ সীমান্তত অৱস্থিত জাঁজী নৈৰ ওপৰত নিৰ্মাণাধীন চাৰিশৰীয়া ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নৱনিৰ্মিত দলঙৰ তল অংশত আজি পথ নিৰ্মাণকাৰী প্ৰতিষ্ঠানে মাটি খনন কৰাৰ ঘটনা স্থানীয় ৰাইজৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰে। জানিব পৰা মতে, পথ নিৰ্মাণৰ দায়িত্বত থকা প্ৰতিষ্ঠানটোৱে যোৰহাট জিলাৰ দিশত নিৰ্মাণৰত দলংখনৰ তলত নৈৰ গভীৰতাৰ প্ৰায় সমান্তৰালভাৱে খননকাৰ্য চলায়। খনন কৰা মাটিখিনি পথ নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰা বুলি জানিব পৰা গৈছে। ঘটনাই স্থানীয় লোকসকলক ক্ষোভিত কৰি তোলে। উপস্থিত ৰাইজে নৈ খনন তাৎক্ষণিকভাৱে বন্ধ কৰিবলৈ প্ৰতিষ্ঠানটোক বাধ্য কৰে। ঘটনা সন্দৰ্ভত স্থানীয় ৰাইজে উদ্বেগ প্ৰকাশ কৰি কয় যে এনে ধৰণে দলঙৰ তল অংশত জধে-মধে মাটি খনন কৰাত গৰা খহনীয়া হোৱাৰ সম্ভাৱনা ব্যাপক। যাৰ ফলত কেৱল নৱনিৰ্মিত দলংখনেই নহয়, কাষৰ পুৰণি দলমখনলৈও ভাবুকিৰ সৃষ্টি কৰিব। এই ঘটনাৰ যোগেদি পথ নিৰ্মাণকাৰী প্ৰতিষ্ঠানটোৰ দায়িত্বজ্ঞানহীনতাক উদঙাই দিয়ে। স্থানীয় সচেতন মহলে ইতিমধ্যেই এই ঘটনাৰ ন্যায়সংগত তদন্ত আৰু উপযুক্ত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। এতিয়া ৰাষ্ট্ৰীয় ঘাইপথ আৰু পৰিবহণ বিভাগৰ অধীন এনএইচডিচিএল কৰ্তৃপক্ষই এই ঘটনা সন্দৰ্ভত কি পদক্ষেপ গ্ৰহণ কৰে, সেয়া আগন্তুক দিনত লক্ষণীয় হ'ব।

# চামনিৰ ৰূপাংকৰ শইকীয়া সন্ধানহীন

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৬ মে':** কলেজলৈ ঘৰৰ পৰা ওলাই যোৱাৰ পিছৰে পৰা লাহোৱালৰ চামনি নতুন গাঁৱৰ ৰূপাংকৰ শইকীয়া সন্ধানহীন হোৱা ঘটনাই অঞ্চলটোত সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ। জানিব পৰা অনুসৰি ডিব্ৰুগড় জিলাৰ চাবুৱা ৰাজহ চক্ৰৰ অন্তৰ্গত চামনি নতুন গাঁৱৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰ ৰূপাংকৰ শইকীয়াই যোৱা ১৩ মে' তাৰিখে লাহোৱাল কলেজলৈ ঘৰৰ পৰা ওলাই গৈছিল। ইয়াৰ পিছৰে পৰা কোনো সন্ধান নাই যুৱকজনৰ। পৰিয়ালে বিভিন্ন ঠাইত বিচাৰ কৰিছে যদিও কোনো সন্ধান লাভ নকৰাত লাহোৱাল আৰক্ষী থানাত দাখিল কৰিছে এজাহাৰ। যুৱকজনৰ সন্ধান পালে এই নম্বৰত ৮৭৬১৮৯২৪৮৮ ত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে পৰিয়ালে।




• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।


# দুৰ্ভোগ ৰাইজৰ, অসম মালা পথ নিৰ্মাণত গাফিলতি

**ই-সংবাদ, দুনী, ১৬ মে':** দৰঙৰ অসম মালা আঁচনিৰ অধিনত নিৰ্মীয়মান পথত ব্যাপক দুৰ্নীতি-অনিয়মৰ অভিযোগ উত্থাপিত হৈছে। মঙলদৈ-ৰঙিয়া সংযোগী ১২৩ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা অসম মালা পথটোৰ কাম অতিকৈ লেহেম আৰু প্ৰাক্কলন অনুযায়ী নোহোৱাত ক্ষুব্ধ হৈ পৰিছে ৰাইজ। নিৰ্মাণৰত পথটোত দুনীত তিনিটা কালভাৰ্টৰ কাম সম্পূৰ্ণ নোহোৱাত যাতায়াতৰ ক্ষেত্ৰত ৰাইজৰ মাজত সৃষ্টি হৈছে হাহাকাৰ। কালভাৰ্ট কেইটাৰ কাষত উপপথ নিৰ্মাণ কৰা হৈছে যদিও এজাক বৰষুণতে পানীত বুৰ যোৱাত যাতায়াতৰ সমস্যাই দেখা দিছে। বাৰিষাৰ পূৰ্বে যাতায়াতৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পথটোৰ কালভাৰ্ট কেইটাৰ কাম সম্পূৰ্ণ নহলে দুৰ্ভোগ ভুগিব লাগিব পথচাৰীৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে। সদাব্যস্ত পথটোৰ কালভাৰ্ট কেইটা আধৰুৱা কৰি ৰখাত বিপদসংকুলভাৱে অহা-যোৱা কৰিব লগা হৈছে যান-বাহন আৰু পথচাৰীৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী। জনপ্ৰতিনিধিৰ অমনোযোগিতাৰো কথা বহুলভাৱে চৰ্চা হোৱাত ক্ষোভ উজাৰিছে স্থানীয় ৰাইজে।

## কোকৰাঝাৰত পথৰ ওপৰত প্ৰতিবাদ স্কুলীয়া ছাত্ৰ-ছাত্ৰী, দল-সংগঠনৰ



**ই-সংবাদ, কোকৰাঝাৰ, ১৬ মে':** কোকৰাঝাৰ আৰু ধুবুৰী জিলা সংযোগী ভোটগাঁও-কাশীপাৰা পথৰ দুৰৱস্থাই জনসাধাৰণক চৰম অসুবিধাত পেলাইছে। অতি ব্যস্ততম পথটো এজাক বৰষুণতেই বোকা-পানীৰে ভৰি পৰাত উক্ত পথেৰে যাতায়াত কৰা গাড়ী-মটৰ-মটৰচাইকেল, স্কুলীয়া ছাত্ৰ-ছাত্ৰী আৰু পথচাৰীয়ে ব্যাপক অসুবিধাৰ সন্মুখীন হৈ আহিছে। জনসাধাৰণৰ ব্যাপক অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি পথটো শীঘ্ৰে মেৰামতি কৰি দিয়াৰ দাবীত আজি এবিএমছু, আক্ৰাছু, স্কুলীয়া ছাত্ৰ-ছাত্ৰী আৰু ৰাইজে পথৰ ওপৰতেই প্ৰতিবাদ সাব্যস্ত কৰিছে। উল্লেখ্য যে কোকৰাঝাৰ চহৰৰ পৰা মাথোঁ ৫ কিলোমিটাৰ নিলগৰ সদা ব্যস্ত কোকৰাঝাৰ আৰু ধুবুৰী জিলা সংযোগী ভোটগাঁও-কাশীপাৰা লোকনিৰ্মাণ পথত পুখুৰীসদৃশ গাঁতৰ সৃষ্টি হৈছে। প্ৰকৃততে সেয়া পথ নে পুখুৰী ধৰিবই নোৱাৰি আৰু এজাক বৰষুণতেই পথটো পানীৰে উপচি পৰে আৰু যাৰ ফলত যাতয়াতৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। বিশেষকৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰী আৰু পথচাৰীৰ যাতায়াতৰ বাবে পথছোৱা একেবাৰে অনুপযোগী হৈ পৰিছে যদিও বিভাগীয় কৰ্তৃপক্ষৰ কোনো কাণসাৰ নাই। প্ৰকৃততে উক্ত পথছোৱা ওচৰতে থকা কালভাৰ্টৰ সমান ওখকৈ নিৰ্মাণ কৰিব লাগিছিল যদিও কৰ্তৃপক্ষই কোনোধৰণৰ অধ্যয়ন নকৰাকৈ পালমৰা ধৰণে কাম কৰাত এতিয়া পথছোৱা পুখুৰীসদৃশ হৈ পৰিছে। তদুপৰি পথৰ দুয়োকাষে কোনো ধৰণৰ ড্ৰেইন নথকাৰ বাবে ব্যৱসায়িক প্ৰতিষ্ঠানতো পানী সোমাই ব্যাপক অসুবিধাৰ সৃষ্টি কৰিছে। উক্ত পথছোৱা অতি শীঘ্ৰে মেৰামতি কৰি সুচল যাতায়াত ব্যৱস্থা কৰি দিয়াৰ দাবীত আজি ভোটগাঁও আৰু কাশীপাৰাবাসীৰ লগতে এবিএমছু, আক্ৰাছু আৰু স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে এক প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়ণ কৰি কম সময়ৰ ভিতৰতে পথছোৱা পুনৰ্নিৰ্মাণ নকৰিলে পথছোৱা বন্ধ কৰি দিয়াৰ ভাবুকি প্ৰদান কৰে। প্ৰতিবাদকাৰীসকলে বিটিআৰ চৰকাৰৰ বিৰুদ্ধে বিভিন্ন শ্লোগান দি পৰিবেশ উত্তাল কৰি তোলে। ইপিনে উক্ত পথছোৱা অহা এসপ্তাহৰ ভিতৰতে মেৰামতি কৰি যাতায়াতৰ উপযোগী কৰি দিয়াৰ দাবী জনাইছেএবিএমছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক জাইদুল ইছলামে। অন্যথা ফকিৰাগ্ৰাম পৰিষদীয় সমষ্টিৰ পাৰিষদ তথা বিটিআৰৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে'ক আগন্তুক বিটিআৰ নিৰ্বাচনত উক্ত এলেকাৰ গাঁওসমূহত প্ৰৱেশ নিষিদ্ধ কৰা হ'ব বুলি ইছলামে সকীয়াই দিছে। তদুপৰি পথছোৱাৰ দুৰৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োক বিশেষ কাৰ্যকাৰী ব্যৱস্থা ল'বলৈ আহ্বান জনাইছে এবিএমছুৰ সাধাৰণ সম্পাদক জাইদুল ইছলামে।

# শদিয়াত শোকাৱহ পথ দুৰ্ঘটনাত যুৱতী নিহত

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৬ মে' :** তিনিচুকীয়া জিলাৰ ন-শদিয়া আৰক্ষী চকীৰ অন্তৰ্গত ১১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ আঠমাইল দলঙৰ সমীপত আজি দুপৰীয়া এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত ডুমডুমা দিশৰ পৰা শদিয়া অভিমুখে এএছ-২৩-এএল-৫১১৩ নম্বৰৰ টিভিএছ এনটৰ্ক স্কুটিৰে গৈ থকা অৱস্থাত উক্ত শোকাৱহ দুৰ্ঘটনাটো সংঘটিত হয়। ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত থকা ৰেলিঙত খুন্দা মৰাৰ ফলতে উক্ত দুৰ্ঘটনাটো সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে। দুৰ্ঘটনাত স্কুটিখনৰ চালক সুস্মিতা বৰুৱা ঘাটোৱাৰ (২৯) আৰু আৰোহী মুন সিং (৩০) গুৰুতৰভাৱে আহত হোৱাত চপাখোৱাস্থিত শদিয়া অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসালয়খনত চিকিৎসাধীন অৱস্থাতে সুস্মিতাই মৃত্যুক আঁকোৱালি লোৱাৰ বিপৰীতে আৰোহী মুন সিঙক উন্নত চিকিৎসাৰ বাবে তিনিচুকীয়ালৈ প্ৰেৰণ কৰে। নিহত সুস্মিতাৰ ঘৰ তালাপ আৰক্ষী চকীৰ অন্তৰ্গত দাইচা গাঁৱত আৰু আনগৰাকী যুৱতী তথা আৰোহী মুন সিঙৰ ঘৰ ডুমডুমা থানাৰ অন্তৰ্গত ৰূপাই শান্তিপুৰত বুলি জানিব পৰা গৈছে। ক্ৰমাৎ কিলাৰ হাইৱে'ত পৰিণত হোৱা ৰাষ্ট্ৰীয় ঘাইপথটোত সঘনাই সংঘটিত পথ দুৰ্ঘটনাক লৈ শদিয়া সমজিলা প্ৰশাসনে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া নিশ্চয় লক্ষণীয় হ'ব। এটি পুত্ৰ সন্তানৰ মাতৃ সুস্মিতাৰ অকাল মৃত্যুত ডুমডুমাত শোকৰ ছাঁ পৰিছে।

# বহিঃৰাজ্যৰ ১১টা চোৰক আটক কোকৰাঝাৰ আৰক্ষীৰ

**ই-সংবাদ, কোকৰাঝাৰ, ১৬ মে':** কোকৰাঝাৰ জিলাৰ বিভিন্ন প্ৰান্তত সন্ত্ৰাসৰ সৃষ্টি কৰা চিলনী চোৰৰ বৃহৎ এটা গেঙত অৱশেষত কোকৰাঝাৰ আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হৈছে। চিলনী চোৰৰ লগতে আন দুৰ্স্কাৰ্যমূলক ঘটনাৰ সতে জড়িত থকাৰ অভিযোগত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা আৰক্ষীয়ে আটক কৰা সন্দেহযুক্ত চিলনীচোৰ কেইটা হ'ল ক্ৰমে বিহাৰৰ অমিত কুমাৰ যাদৱ (৩৫) আৰু ৰাহুল কুমাৰ যাদৱ (৪০), পশ্চিমবংগৰ ক্ৰমে জিতু গোৱালা (৫০), ৰোহিত গোৱালা (৩০), কুবেৰ গোৱালা (৩০), দীপক সিং (৫৫), মুন্না গোৱালা (৫৫), শৰ্মা গোৱালা (৫৫), অজয় গোৱালা (৪৮), ছনী গোৱালা (২৫) আৰু ৰূপ লাল সিং (৫৫)। উল্লেখ্য যে কালি কোকৰাঝাৰ এছবিআইৰ কোৰ্টপাৰা শাখাৰ সন্মুখৰ পৰাই চিলনী চোৰে বলেৰ'ৰ খিৰিকী ভাঙি দুই লাখ টকা লুট কৰিছিল। টকাখিনিৰ গৰাকী তথা ঠিকাদাৰ বাৰাগুা বসুমতাৰীয়ে বেংকৰ পৰা টকা উলিয়াই টকাৰ বেগটো গাড়ীত থৈ ফটোষ্টেট কৰিবলৈ যাওঁতেই দুষ্কৃতিকাৰীয়ে দিন-দুপৰতে বলেৰ' গাড়ীৰ গ্লাছ ভাঙি দুইলাখ টকা লুট কৰিছিল। ঘটনা সন্দৰ্ভত কালিয়েই বাৰাগুা বসুমতাৰীয়ে কোকৰাঝাৰ সদৰ থানাত এজাহাৰ দাখিল কৰিছিল। উক্ত ঘটনাৰ পিছতে কোকৰাঝাৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক পৃথিৰাজ ৰাজখোৱাৰ নেতৃত্বত গোটেই নিশা অভিযান চলাই জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা ১১ টাকৈ চোৰক আটক কৰে।কোকৰাঝাৰত সন্ত্ৰাসৰ সৃষ্টি কৰা চিলনী চোৰকেইটাক কোকৰাঝাৰ আৰক্ষীয়ে ২৪ ঘণ্টাৰ ভিতৰতে আটক কৰাত সন্তোষ প্ৰকাশ কৰিছে সচেতন নাগৰিকে। তদুপৰি বিহাৰ আৰু পশ্চিমবংগৰ চিলনী চোৰৰ বৃহৎ গেং উৎখাত কৰাটো কোকৰাঝাৰ আৰক্ষীৰ বাবে বৃহৎ সফলতা বুলি বিবেচিত হৈছে। বৰ্তমান অধিক তথ্যৰ অধিক তথ্যৰ সন্ধানত আৰক্ষীয়ে সোধা-পোছা অব্যাহত ৰাখিছে।

# টীয়কত পথ দুৰ্ঘটনাত এজন নিহত

**ই-সংবাদ, টীয়ক, ১৬ মে':** টীয়ক আৰক্ষী থানাৰ অধীনৰ বাদুলীপুখুৰী তিনিআলিৰ সমীপত ফ'ৰলেনত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত গোবিন শইকীয়া (নানা) নামৰ লোক এজন থিতাতে নিহত হয়। ঘটনাৰ বিৱৰণী অনুসৰি এএছ-০২-ডিচি-১৪০১ নম্বৰৰ তীব্ৰ বেগী সামগ্ৰী কঢ়িওৱা টাটা মেজিকখনে প্ৰথমে এখন দুচকীয়া বাহনত খুন্দিওৱাৰ পিছত পথৰ দাঁতিয়েদি চাইকেলেৰে মুদৈজান ভৰলুৱা গাঁৱৰ ঘৰলৈ গৈ থকা ৬৫ বছৰীয়া লোকজনক খুন্দা মাৰে। ফলত তেওঁ থিতাতে নিহত হয়। দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰা বাহনখন আৰক্ষীয়ে কাকজানত ধৰি জব্দ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী আৰু দুই পুত্ৰক এৰি যায়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বত যোগাযোগ কৰক।

# কলগাছিয়াৰ কাদঙত জিকিল কংগ্ৰেছ, বিজয়ীৰ প্ৰমাণ-পত্ৰ পালে এ আই ইউ ডি এফে

**ই-সংবাদ, কলগাছিয়া, ১৬ মে':** বৰপেটা জিলাৰ ৫৭ নং কাদং গাঁও পঞ্চায়তত আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ নাভূত-নাশ্ৰুত ফলাফলক লৈ ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নিৰ্বাচনী ফলাফলত 'জিকিল কংগ্ৰেছ প্ৰাৰ্থী, কিন্তু বিজয়ী পত্ৰ লাভ কৰিলে এ আই ইউ ডি এফৰ প্ৰাৰ্থীয়ে। এই অভিযোগ উত্থাপন কৰিছে পৰাজিত হোৱা কংগ্ৰেছৰ আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী শ্বাহিদা খাতুনে। ফলত নিৰ্বাচনী বিষয়াসকলে অবৈধ আৰু ষড়যন্ত্ৰমূলকভাৱে বিসংগতিপূৰ্ণ নিৰ্বাচনী ফলাফল ঘোষণা কৰা বুলি অভিযোগ উত্থাপন কৰি শুকুৰবাৰে কাদং গাঁও পঞ্চায়তৰ শ শ ভোটাৰ ৰাইজ ওলাই আহি হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ এক বৃহত সমদল উলিয়াই প্ৰতিবাদ সাব্যস্ত কৰে। ভোটাৰ ৰাইজে অবৈধভাৱে জয়ী হোৱা এ আই ইউ ডি এফৰ প্ৰাৰ্থী জিন্নত ৰেহেনাক বৰ্জন কৰাৰ দাবী উত্থাপন কৰে। উল্লেখযোগ্য যে ৫৭ নং কাদং গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত কংগ্ৰেছ প্ৰাৰ্থী শ্বাহিদা খাতুনে জয়লাভ কৰা বুলি যোৱা ১২ মে'ত ঘোষণা কৰা হৈছিল যদিও নিশাৰ ভাগত ষড়যন্ত্ৰমূলকভাৱে এ আই ইউ ডি এফৰ প্ৰাৰ্থী জিন্নত ৰেহেনা জয়ী হোৱা বুলি বিজয়ী পত্ৰ প্ৰদান কৰিছে নিৰ্বাচনী বিষয়াই। পৰাজিত প্ৰাৰ্থী শ্বাহিদা খাতুনে এই অভিযোগ উত্থাপন কৰাৰ পিছতেই কাদং গাঁও পঞ্চায়তত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এ আই ইউ ডি এফৰ আঞ্চলিক সদস্য পদৰ বিজয়ী প্ৰাৰ্থী জিন্নত ৰেহেনা অবৈধ ভাৱে জয়ী হৈছে বুলি অভিযোগ উত্থাপন কৰাৰ লগতে নিৰ্বাচনী ফলাফল ঘোষণাত ষড়যন্ত্ৰ আৰু বিসংগতি হৈছে বুলি গুৰুতৰ অভিযোগ উত্থাপিত কৰিছে। এইক্ষেত্ৰত প্ৰদেশ কংগ্ৰেছৰ কাৰ্য্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰ, চেঙাৰ বিধায়ক আশ্ৰাফুল হুছেইনৰ বিৰুদ্ধেও ষড়যন্ত্ৰৰ অভিযোগ উত্থাপন কৰিছে পৰাজিত প্ৰাৰ্থী শ্বাহিদা খাতুনে। সম্প্ৰতি নিৰ্বাচনী বিষয়াৰ লগতে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত ন্যায় বিচাৰি কাতৰ আহ্বান জনাইছে কাদং গাঁও পঞ্চায়তৰ ভোটাৰ ৰাইজ আৰু ভুক্তভোগী প্ৰাৰ্থীগৰাকীয়ে।

# বৰপেটা অসামৰিক চিকিৎসালয়ৰ চৌহদত কৃত্ৰিম বান, ৰোগীৰ মাজত হাহাকাৰ পৰিস্থিতি

**ই-সংবাদ, কলগাছিয়া, ১৬ মে':** কলগাছিয়াত অৱস্থিত বৰপেটা অসামৰিক চিকিৎসালয়ৰ সন্মুখত এজাক বৰষুণতে সৃষ্টি হয় কৃত্ৰিম বান। চিকিৎসালয়খনৰ চৌহদত একাঁঠু পানী জমা হোৱাত চৰম হাৰাশাস্তিৰ সন্মুখীন হৈছে ৰোগী আৰু অভিভাৱকসকল। ফলত ৰোগীসকলৰ মাজত এক হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। চিকিৎসালয়খনৰ সন্মুখত নামমাত্ৰ নলা এখন আছে যদিও সেয়া বিজ্ঞান সন্মত নোহোৱাৰ ফলত এজাক বৰষুণতেই পানী জমা হৈ কৃত্ৰিম বানপানীৰ সৃষ্টি হয়। দৈনিক হাজাৰ হাজাৰ ৰোগী আৰু এম্বুলেন্স চিকিৎসালয়খনলৈ আহে যদিও চিকিৎসালয়খনৰ বাৰাণ্ডাৰ সন্মুখত একাঁঠুকৈ পানী জমা হৈ থকাৰ ফলত এম্বুলেন্সসমূহ পানীৰ মাজত ৰখাই ৰোগী অনা নিয়া কৰিবলগীয়া হৈছে। আনহাতে জৰুৰীকালীন অৱস্থাতো চিকিৎসক, নাৰ্ছ আদিয়ে একাঁঠু পানী গচকি অহা-যোৱা কৰিব লগা হৈছে। ইফালে ৰাইজে স্বাস্থ্য সেৱাৰ বাবে অহা অতি গুৰুত্বপূৰ্ণ এই চিকিৎসালয়খনৰ চৌহদত এজাক বৰষুণৰ ফলত একাঠু কৃত্ৰিম বানপানীৰ সৃষ্টি হোৱাত আৱৰ্জনা, জাবৰ-জোঁথৰ আদি আহি অস্বাস্থ্যকৰ পৰিৱেশৰ সৃষ্টি কৰিছে। ফলত ৰোগীসকললৈ চৰম ভাবুকিৰ সৃষ্টি হৈছে।উল্লেখযোগ্য যে চিকিৎসালয়খনত দৈনিক ১০-১৫ টাকৈ প্ৰসূতি ৰোগীক ছিজাৰিয়ান কৰা হয়। তদুপৰি দৈনিক শ শ ৰোগীক বিভিন্ন ধৰণৰ সৰু বৰ অস্ত্ৰোপ্ৰচাৰ কৰা হয়। সেয়ে এনে অস্বাস্থ্যকৰ পৰিৱেশত ৰোগীৰ চিকিৎসাত বিঘ্নিত হ'ব পাৰে বুলি ৰাইজে শংকিত হৈছে। সেয়ে ৰাইজে বৰপেটা অসামৰিক চিকিৎসালয়ৰ সন্মুখৰ পৰা মৰা বেকী নদীলৈ এখন বিজ্ঞান সন্মত নলা নিৰ্মাণ কৰি কৃত্ৰিম বানপানীৰ সমস্যাটো চিৰদিনৰ বাবে সমাধান কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে।

# নলবাৰীত পানীৰ তলত পানীগাঁও বালক প্ৰাথমিক বিদ্যালয়, অভিভাৱকৰ তীব্ৰ ক্ষোভ

**ই-সংবাদ ব্যুৰ', নলবাৰী, ১৬ মে':** সাধাৰণ এজাক বৰষুণতে বুৰ গৈছে নলবাৰীৰ এখন ঐতিহ্যপূৰ্ণ বিদ্যালয়। স্বাধীনোত্তৰ কালতে স্থাপিত এই বিদ্যালয়খন হ'ল পশ্চিম নলবাৰী শিক্ষা খণ্ডৰ অন্তৰ্গত ১১৭৪ নং পানীগাঁও বালক প্ৰাথমিক বিদ্যালয়। বাৰিষা এজাক সাধাৰণ বৰষুণ দিলেই পানীত বুৰ যায় বিদ্যালয়খন। এই সমস্যাটো দূৰ কৰাৰ বাবে বিদ্যালয় পৰিচালনা সমিতিয়ে বিভাগীয় কৰ্তৃপক্ষক লিখিত আবেদন দাখিল কৰাৰ পিছতো আজিলৈকে কোনো কাম নিদিলে। এই বিদ্যালয়খনে তিনিটা বছৰত গুণোৎসৱত ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছিল। আজি পুৱা এজাক বৰষুণতে ডুব যায় বিদ্যালয়খন। ফলত পাঠদান ব্যাহত হয়। বিদ্যালয়খনলৈ কণ কণ ছাত্ৰ-ছাত্ৰীসকল স্কুললৈ আহি পানীৰ বাবে অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। বিদ্যালয় গৃহৰ চাৰিওফালে পানী, কেৱল পানী। এনে অব্যৱস্থাই অভিভাৱকসকলক ক্ষোভিত কৰি তুলিছে। অতি শীঘ্ৰেই বিদ্যালয়খনৰ এনে সমস্যা আঁতৰ কৰিবলৈ সচেতন ৰাইজে দাবী জনাইছে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# নলবাৰীত পথদস্যুৰ ৰূপত একাংশ ফাইনেঞ্চ কোম্পানীৰ এজেণ্ট

**ই-সংবাদ, বাঁহজানী, ১৬ মে':** নলবাৰীত ওলাইছে এতিয়া পথদস্যু। সাৱধান আপুনিও কেতিয়াবা পদপথত হকে-বিহকে পৰিব পাৰে পথদস্যুৰ হাতত। পিছে এই পথদস্যুসকল একাংশ ফাইনেঞ্চ কোম্পানীৰ গাড়ী টনা এজেণ্টহে। শিয়ালৰ জাকৰ দৰে আহি মটৰ চাইকেল অথবা চাৰিচকীয়া আৰোহীক বাট ভেটি ধৰি নলবাৰীৰ ৰাজপথত সন্ত্ৰাস সৃষ্টি কৰা এতিয়া পৰিলক্ষিত হৈছে একাংশ ফাইনেঞ্চ কোম্পানীৰ গাড়ী টনা এজেণ্টে। কিন্তু এই পথদস্যুসকলে ফাইনেঞ্চ কোম্পানীৰ বুলি পৰিচয় দিয়ে যদিও লগত নাথাকে কোনো এখন পৰিচয়-পত্ৰ। যাৰ বাবে এইসকল কৰ্মচাৰী নে দিন-ডকাইত বুলি প্ৰশ্ন উত্থাপন হৈছে সচেতন মহলৰ মাজত। তেনে এক আজি অনুৰূপ ঘটনা সংঘটিত হৈছে নলবাৰী-হাজো পথত। ঘটনা অনুসৰি আজি নলবাৰী চহৰৰ এজন যুৱকে লগৰ সতীৰ্থৰসহ মটৰ চাইকেলেৰে হাজো পথেৰে কৰ্মস্থলীলৈ গৈ আছিল। দিনৰ প্ৰায় ১১.১৫ বজাত হাজো পথৰ পাৰেচুপাত যুৱক গৰাকীক অজ্ঞাত কেইজনমান যুৱকে এএছ ১৪ এম ৯০০৪ নম্বৰৰ মটৰ চাইকেলেৰে আহি পথদস্যুসদৃশ আগভেটি ৰখিবলৈ দিয়ে। আগভেটি ধৰাৰ ফলত নলবাৰী চহৰৰ দিশৰ পৰা অহা যুৱকজনে কিম্বা প্ৰকাৰে গাড়ীখন ৰখাই নিজকে দুৰ্ঘটনাৰ পৰা পতিত হোৱাত ৰক্ষা কৰে। পিছত আগভেটি ধৰা যুৱক কেইগৰাকীয়ে নলবাৰী চহৰৰ যুৱক জনৰ মটৰ চাইকেলখন ফাইনেঞ্চ আছে নে নাই প্ৰশ্ন কৰে আৰু তাৰ পিছত সৃষ্টি হয় বাক-বিতণ্ডাৰ। ফাইনেঞ্চ কোম্পানীৰ বুলি পৰিচয় দিয়া যুৱক কেইজনক সিহঁতৰ পৰিচয়-পত্ৰ আৰু মটৰ চাইকেল কোনো মাজপথত ৰখাবলৈ নিৰ্দেশ দিছে তাৰ কাগজ-পত্ৰ বিচৰাত ফাইনেঞ্চ কোম্পানীৰ এজেণ্ট বুলি পৰিচয় দিয়া যুৱক কেইজনে মৰোৱা অঞ্চলৰ লোকেল ল'ৰা বুলি কৈ ভয়-ভাবুকি দেখুৱাবলৈ আৰম্ভ কৰে। পিছত উক্ত যুৱক কেইজনে নলবাৰী চহৰৰ দিশৰ পৰা অহা যুৱকজনৰ মটৰ চাইকেলৰ নম্বৰটো আকৌ এবাৰ চাই ভুলতে বাট ভেটি ধৰা গ'ল বুলি কয়। কিন্তু ফাইনেঞ্চ কোম্পানীৰ কৰ্মী বুলি পৰিচয়-পত্ৰ দেখাব নোৱাৰাত নলবাৰী চহৰৰ বাইক আৰোহী যুৱকজনে পথ ভেটি ধৰা যুৱক কেইজনক সন্দেহ কৰি উক্ত ঘটনা সম্পৰ্কত নলবাৰী কমাৰকুছি থানাত এখন এজাহাৰ দাখিল কৰে। উক্ত বিষয় কমাৰকুছি আৰক্ষীয়েও গুৰুত্বসহকাৰে লয়। এতিয়া প্ৰশ্ন আহে কোনো পৰিচয়-পত্ৰ নোহোৱা এনেকুৱা পথদস্যুসকলক বাটে-পথে যান-বাহন আগভেটি ধৰিবলৈ কোনে নিৰ্দেশ প্ৰদান কৰি আহিছে। ফাইনেঞ্চ কোম্পানীৰ এজেণ্ট বুলি পৰিচয় দি আৰক্ষী-প্ৰশাসনক বুঢ়া আঙুলি দেখুৱাই শিয়ালৰ জাকৰ দৰে আহি হকে-বিহকে গাড়ী ৰখাই অশ্লীল গালি গালাজ কৰি গাড়ী আৰোহীক অপমান কৰা অধিকাৰ কোনো দিলে।



# গড়চুক কাণ্ডৰ সৈতে নাম সাঙোৰ খোৱা দীপশিখা বৈশ্যৰ বিৰুদ্ধে সৰৱ গাঁওবাসী


**ই-সংবাদ, শুৱালকুছি, ১৬ মে':** ত্ৰিকোণ প্ৰেমৰ পৰিণতিত গুৱাহাটী মহানগৰীৰ গড়চুকত এখন হোটেলৰ সন্মুখত সোমবাৰে বিয়লি ছুৰীকাঘাত কৰি এজন যুৱকক হত্যা কৰা ঘটনাৰ প্ৰতিক্ৰিয়া আজিও অব্যাহত আছে। গড়চুক কাণ্ডৰ সৈতে নাম সাঙোৰ খোৱা দীপশিখা বৈশ্যৰ বিৰুদ্ধে স্বামীৰ গাঁও কামৰূপৰ বংশৰত স্থানীয় মহিলাসকল সৰৱ হৈ পৰিছে। দীপশিখাৰ কৰ্মকাণ্ডই লজ্জিত কৰিছে গাঁওবাসীক। গড়চুকত উদীয়মান অভিনেতা মৃগাংক বৰ্মনৰ হত্যাকাণ্ডৰ লগত নাম সাঙোৰ খোৱা দীপশিখা বৈশ্য বৰ্তমান মুকলি আকাশৰ তলত থাকিলেও বংশৰত থকা স্বামীৰ গৃহত কোনোপধ্যেই আহিবলৈ নিদিয়ে বুলি স্থানীয় মহিলাসকলে হুংকাৰ দিছে। স্বামী আৰু দুই সন্তানৰ সৈতে এখন সুখৰ সংসাৰ থকাৰ পিছতো দীপশিখাই অন্য পুৰুষৰ সৈতে সম্পৰ্ক বজাই ৰখাৰ অভিযোগ স্থানীয় মহিলাসকলৰ। এনে চৰিত্ৰহীনা বোৱাৰী সমাজখনৰ বাবে ক্ষতিকাৰক, লজ্জাজনক। যাৰ বাবে দীপশিখা বৈশ্যক গাঁৱত প্ৰৱেশত বাধা আৰোপ কৰিছে স্থানীয় মহিলাসকলে। ৰাইজে অভিযোগ কৰা মতে, দীপশিখাৰ ভুলৰ বাবে সংঘটিত হৈছে মৃগাংক বৰ্মনৰ হত্যাকাণ্ড। ৰাজু আলী নামৰ মুছলমান যুৱকৰ লগত তেওঁৰ অবৈধ সম্পৰ্ক আছে। 'প্ৰথমে আমি ইমান গম পোৱা নাছিলোঁ। তাই এগৰাকী চৰিত্ৰহীনা নাৰী। তাইক আমাৰ গাঁৱত সোমাব দিয়া নহ'ব। দীপশিখাই পূৰ্বেও দুই-তিনিবাৰ স্বামী থকাৰ পিছতো অন্য পুৰুষৰ সৈতে পলাই গৈছিল। এনে চৰিত্ৰহীনা মহিলাৰ বাবে আমি লজ্জাবোধ কৰিছো বুলি মন্তব্য বংশৰ বিলৰ পাৰৰ স্থানীয় মহিলাসকলে মন্তব্য কৰে। এই লৈ বংশৰ বিলৰ পাৰৰ স্থানীয় মহিলাসকলে দীপশিখা বৈশ্যৰ স্বামীৰ গৃহৰ সন্মুখত অৱস্থান কৰি স্বামী পৰমা বৈশ্যক ভৱিষ্যতে দীপশিখা বৈশ্য গাঁৱত প্ৰৱেশ কৰিব নোৱাৰিব বুলি সকীয়াই দিয়ে। আনহাতে, স্থানীয় ৰাইজে গড়চুক কাণ্ডত জড়িত দোষীক উচিত শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে।

# গোলকগঞ্জত বিলাসী বাহনত উদ্ধাৰ সাতটা গো-ধন, আটক দুৰ্ধৰ্ষ গো-মাফিয়া

ই-সংবাদ, গোলকগঞ্জ, ১৬ মে': ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ সীমান্তত পুনৰ সক্ৰিয় হৈ উঠিছে অবৈধ গো সৰবৰাহ। যোৱা ১২ মে'ত আগমনি আৰক্ষীয়ে এখন আলুৰ ট্ৰাকৰ পৰা ১২ টা চোৰাং উদ্ধাৰ কৰাৰ পিছত যোৱানিশা পুনৰ গোলকগঞ্জ আৰক্ষীয়ে অভিযান চলাই এখন বিলাসী বাহনৰ পৰা সাতটা গো-ধন উদ্ধাৰ কৰা ঘটনাই তাৎপৰ্য বহন কৰিছে। অৱশ্যে ঘটনাৰ আঁত ধৰি গোলকগঞ্জ আৰক্ষীয়ে আজি বিয়লি এজন দুৰ্ধৰ্ষ গো-মাফিয়াক আটক কৰিবলৈ সক্ষম হয়। ঘটনাৰ বিৱৰণী মতে, যোৱানিশা পশ্চিমবংগৰ পৰা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে এএছ ০৩ এইচ ৭৬৭৫ নম্বৰৰ হোণ্ডা এমাজ বাহনখন গৌৰীপুৰ অভিমুখে গৈ আছিল। গোপন খবৰৰ ভিত্তিত পূৰ্বৰে পৰা বিৰাট নগৰ চাৰিআলিত খাপ পিটি থকা গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিৎ কলিতাৰ নেতৃত্বত আৰক্ষীৰ দল এটাই দ্ৰুতবেগী বাহনখন ৰ'ববলৈ নিৰ্দেশ দিয়ে। আৰক্ষীৰ নিৰ্দেশ অমান্য কৰি বাহনখনে পলায়ন কৰাত আৰক্ষী পিছে পিছে খেদি যায়। উত্তৰ ৰায়পুৰ প্ৰথম খণ্ড গাঁৱৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত বাহন এৰি সৰবৰাহকাৰীয়ে পলায়ন কৰে। আৰক্ষীয়ে বাহনখনৰ পৰা সাতটা গো-ধন উদ্ধাৰ কৰে। উল্লেখ্য হোণ্ডা এমাজ বাহন খনৰ নম্বৰ কিন্তুএখন ফ'ৰ্ড ফিগো কোম্পানীৰ বাহনৰ। গো সৰবৰাহকাৰী চক্ৰই পশ্চিমবংগকে ধৰি বিভিন্ন ৰাজ্যৰ পৰা পুৰণি বাহন ক্ৰয় কৰি এনেকৈ ভুৱা নম্বৰ প্লেট লগাই গো সৰবৰাহ কৰি আহিছে। নিশাৰে পৰা গোলকগঞ্জ আৰক্ষী এই সন্দৰ্ভত তৎপৰতাৰে তদন্ত অভিযান চলাই বিয়লি কুখ্যাত চোৰাং গো সৰবৰাহকাৰী জাহান উদ্দিন শ্বেখক উত্তৰ ৰায়পুৰ প্ৰথম গাঁৱৰ ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰে। তিনি দিন পূৰ্বে একে নম্বৰ ব্যৱহাৰ কৰা ইয়ন বাহন এখনৰ পৰা পাগলাহাট আৰক্ষীয়ে চোৰাং গো-ধন উদ্ধাৰ কৰে। উক্ত চোৰাং সৰবৰাহতো জাহান জড়িত থকাৰ তথ্য আৰক্ষীয়ে লাভ কৰিছে। জাহান উদ্দিন শ্বেখ আগমনি থানাৰ অন্তৰ্গত কালডোৱা তৃতীয় খণ্ড গাঁৱৰ আলিমুদ্দিন শ্বেখৰ পুত্ৰ। তেওঁ দীৰ্ঘদিনৰ পৰা বহিঃৰাজ্যৰ পৰা গো-ধন আনি বাংলাদেশলৈ চালান কৰে। গোলকগঞ্জ আৰক্ষীয়ে ১১৯/২৫ নম্বৰত গোচৰ পঞ্জীয়ন কৰি তদন্ত অব্যাহত ৰাখিছে।

# ৱাংখেড়েত উন্মোচন হ'ল 'ৰোহিত শৰ্মা ক্ৰিকেট ষ্টেণ্ড'

**মুম্বাই, ১৬ মে':** অৱশেষত ৱানখেড়ে ষ্টেডিয়ামৰ দিবেচা পেভিলিয়ন লেভেল ৩য়ে লাভ কৰিলে এক নতুন পৰিচয়- 'ৰোহিত শৰ্মা ষ্টেণ্ড'। ভাৰতীয় ক্ৰিকেটৰ অন্যতম সফল অধিনায়ক আৰু বেটছমেন ৰোহিত শৰ্মাৰ সন্মানত এই ষ্টেণ্ডৰ নামকৰণ কৰা হৈছে। শুকুৰবাৰে আৱেগিক অনুষ্ঠানত তেওঁৰ পিতৃ-মাতৃয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ষ্টেণ্ডৰ। এফালে সন্মান, আৰু আনফালে টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ আৱেগ- দুয়োটা মিলি এই মুহূৰ্তটোক ৰোহিতৰ ক্ৰিকেট কেৰিয়াৰৰ এক স্মৰণীয় দিন কৰি তোলে।এই অনুষ্ঠানৰ মূল আকৰ্ষণ আছিল মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছৰ উপস্থিতি। ৰোহিতে নিজে ষ্টেণ্ড মুকলিৰ পৰা আঁতৰি সেই দায়িত্ব অৰ্পণ কৰে পিতৃ গুৰুনাথ আৰু মাতৃ পূৰ্ণিমাৰ হাতত। মঞ্চত উপস্থিত থাকে ৰোহিতৰ পত্নী ৰীতিকাৰ লগতে মহাৰাষ্ট্ৰ চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী। মুকলি সভাত ৰোহিত শৰ্মাৰ টেষ্ট কেৰিয়াৰৰ প্ৰতি শ্ৰদ্ধাঞ্জলি স্বৰূপে ষ্টেণ্ডত ৰখা হয় টেষ্ট জাৰ্চি পিন্ধা দুখন বিশাল পোষ্টাৰ। শেহতীয়াকৈ টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ লোৱা ৰোহিতৰ বাবে এয়া এক গৌৰৱৰ মুহূৰ্ত হৈ পৰে। উদ্বোধনী অনুষ্ঠানৰ অন্তত ৰোহিতে কয়, "আজি যি ঘটি আছে, মই কেতিয়াও সপোনতো ভবা নাছিলো। সৰুতে ভাৰতৰ হৈ খেলাৰ সপোন দেখিছিলো। কিন্তু নিজৰ নামেৰে এটা ষ্টেণ্ড! এইটো কল্পনাৰ বাহিৰত। দেশৰ হৈ খেলাটোৱেই মোৰ একমাত্ৰ লক্ষ্য আছিল। সেই লক্ষ্য পূৰণৰ পথত এই সন্মানে মোক যি অনুভৱ দিছে সেয়া শব্দৰে বৰ্ণনা কৰাটো অসম্ভৱ।" ৰোহিতে আৰু কয়, "এনে কিংবদন্তি আৰু নেতাৰ কাষত মোৰ নাম লিখাটো অতি গৌৰৱৰ বিষয়। মোক মৰম আৰু সমৰ্থন দিয়া লোকসকলৰ প্ৰতি মই কৃতজ্ঞ। এই সন্মান খেলাৰ পৰাই আহে, ভাগ্য অবিহনে নহয়। মই এতিয়াও এটা ফৰ্মেটত খেলি আছো। ২১ তাৰিখে দিল্লীৰ বিৰুদ্ধে যেতিয়া মই এই খেলপথাৰত ভৰি দিম, তেতিয়া ই এক বেলেগ অনুভৱ হ'ব।" ৰোহিতে আৰু কয় যে তেওঁ যেতিয়াই এই ষ্টেডিয়ামত খেলে, তেতিয়াই এক পৃথক অনুভৱ কৰে। দেশৰ হৈ খেলা কেইবাখনো মেচেৰে এই ষ্টেডিয়ামখন তেওঁৰ অন্যতম প্ৰিয় ষ্টেডিয়াম বুলি মন্তব্য কৰে ৰোহিত শৰ্মাই। উল্লেখ্য যে, দেশৰ ক্ৰিকেট ইতিহাসৰ অতি কম সংখ্যক কিংবদন্তিৰ নামেৰে মুকলি কৰা হৈছে ক্ৰিকেট ষ্টেণ্ড। এতিয়া সেই তালিকাত সন্নিৱিষ্ট হৈ পৰিছে দেশৰ অন্যতম সফল ক্ৰিকেটাৰ ৰোহিতো।





মুম্বাইৰ ৱাংখেড়ে ষ্টেজিয়ামত ক্ৰিকেটাৰ ৰোহিত শৰ্মাৰ নামেৰে নামাকৰণ 'ৰোহিত শৰ্মা ষ্টেণ্ড', শুকুৰবাৰে

## আইপিএলৰ দ্বিতীয়াৰ্ধ্বত ক্ৰীড়াঙ্গণত নামিব মুস্তাফিজুৰ ৰহমান

# দুখন মেচৰ বাবে ৬ কোটি টকাত চুক্তিবদ্ধ দিল্লী কেপিটেলছৰ

**নতুন দিল্লী, ১৬ মে':** অষ্ট্ৰেলিয়ান অ'পেনাৰ জেক ফ্ৰেজাৰ-মেকগাৰ্কৰ সলনি বাংলাদেশী পেচাৰ মুস্তাফিজুৰ ৰহমানক ৬ কোটি টকাত চুক্তিবদ্ধ কৰিছে দিল্লী কেপিটেলছে। কিন্তু বিচিবিয়ে তেওঁক আইপিএলত খেলাৰ অনুমতি দিবলৈ অস্বীকাৰ কৰাৰ বাবে প্ৰথম অৱস্থাত জটিলতাৰ সৃষ্টি হয়। অৱশ্যে অৱশেষত বাংলাদেশ ক্ৰিকেট ব'ৰ্ডে ২৯ বছৰীয়া বাওঁহতীয়া পেচাৰগৰাকীক এন অ' চি প্ৰদান কৰে। কিন্তু এন অ' চি পোৱাৰ পিছতো যেন বিতৰ্কই লগ এৰা নাই ক্ৰিকেটাৰগৰাকীৰ। বৰ্তমানৰ আই পি এলৰ নিলামত কোনো বাংলাদেশী ক্ৰিকেটাৰে দল নাপালে। মুঠ ১২জন ক্ৰিকেটাৰে নিজৰ নাম পঞ্জীয়ন কৰিছিল যদিও তেওঁলোকৰ প্ৰতি কোনো ফ্ৰেঞ্চাইজিয়ে আগ্ৰহ প্ৰকাশ কৰা নাছিল। এই পৰিপ্ৰেক্ষিততেই দ্বিতীয়াৰ্ধ আৰম্ভ হোৱাৰ পূৰ্বেই হঠাতে মুস্তাফিজুৰক দলত অন্তৰ্ভুক্ত কৰিলে দিল্লী কেপিটেলছে। কিন্তু চুক্তিৰ ঠিক দিনাই খবৰ বিয়পি পৰিল যে তেওঁ টি-২০ মেচ খেলিবলৈ সংযুক্ত আৰব আমিৰশ্বাহীলৈ উৰা মাৰিছে। ইয়াৰ লগতে খবৰ আহিছে যে বিচিবিয়ে তেওঁক এন অ' চিও দিবলৈও অনিচ্ছুক। এই পৰিস্থিতিত তেওঁৰ আই পি এলৰ প্ৰদৰ্শনক লৈ বিভ্ৰান্তিৰ সৃষ্টি হৈছে। কিন্তু খবৰ অনুসৰি অৱশেষত বিচিবিয়ে সকলো সন্দেহ দূৰ কৰি ২৪ মে'লৈকে তেওঁক এন অ' চি প্ৰদান কৰিছে। দিল্লী কেপিটেলছৰ পৰৱৰ্তী মেচ ১৮ মে'ত গুজৰাট টাইটানছৰ বিৰুদ্ধে অনুষ্ঠিত হ'ব। কিন্তু মুস্তাফিজুৰে ১৭ মে'ত সংযুক্ত আৰব আমিৰশ্বাহীত এখন মেচ খেলিব। সেই মেচখন শেষ কৰাৰ পিছত ১৮ মে' দেওবাৰে দিল্লী শিবিৰত যোগদান কৰিব পাৰিব। কিন্তু যিহেতু এন অ' চিৰ সময় ২৪ মে'লৈকে দিয়া হৈছে, গতিকে দিল্লীয়ে প্লে অফত স্থান লাভ কৰিলে তেওঁ আৰু উপলব্ধ নহ'ব। এনে পৰিস্থিতিত প্ৰশ্ন উত্থাপন হৈছে, মাত্ৰ দুখন মেচৰ বাবে তেওঁৰ ওপৰত ৬ কোটি টকা খৰচ কৰাটো কিমান যুক্তিসংগত? দিল্লীয়ে তেওঁৰ চুক্তি পুনৰ বিবেচনা কৰিব পাৰে বুলিও চৰ্চা চলিছে।




বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি